Content includes AI-generated material

## ৰহস্যজনক মৃত্যু বায়ুসেনাৰ জোৱানৰ

ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৩ জানুৱাৰীঃ চাবুৱাস্থিত বায়ুসেনাৰ ছাউনীত সংঘটিত হয় এক ২ পৃষ্ঠাত চাওক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

FRIDAY, JANUARY 24, 2025 ■ শুকুৰবাৰ, ১০ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ২৮ Guwahati, Assam ।। মূল্যঃ এটকা

# চেলেংহাটৰ তিৰুহিলচত নগাৰ সন্ত্ৰাস, হালোৱাটিঙতো খান্দি আছে পাহাৰৰ টিলা

## অসমৰ মাটিত অবাধ বেদখল নগা লোকৰ



ই-সংবাদ, মৰিয়নি আৰু গেলেকী, ২৩ জানুৱাৰীঃ অসম-নাগালেণ্ড সীমান্তৰ চেলেংহাটৰ তিৰুহিলচ বনাঞ্চলত বন্দুক দা কুঠাৰ লৈ নগাই অসমৰ ভূমি বেদখল কৰাক কেন্দ্ৰ কৰি সৃষ্টি শেষাংশ ৫ পৃষ্ঠাত

## মহানগৰীত হাতীৰ আৰ্তনাদ শুনিও শুনা নাই বন বিভাগে

ই-সংবাদ, ২৩ জানুৱাৰীঃ যিসময়ত শোষণ আৰু অসুস্থতাৰ দোহাই দি স্বৰ্গীয় সুখ প্ৰদান কৰিবলৈ কুৰিৰো অধিক হাতীক অসম-অৰুণাচলৰ ৬ পৃষ্ঠাত

## আমেৰিকাৰ অবৈধ ভাৰতীয় প্ৰসংগ

# ট্ৰাম্পৰ নতুন নীতিৰ পিছতে তৎপৰ ভাৰত!

নতুন দিল্লী, ২৩ জানুৱাৰীঃ অবৈধ অনুপ্ৰৱেশকাৰীক ঘূৰাই পঠিওৱাৰ বাবে আমেৰিকাৰ পৰিকল্পনা সন্দৰ্ভত কঠোৰ স্থিতি গ্ৰহণ কৰিছে ভাৰতে। বুধবাৰে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী এছ জয়শংকৰে কয় যে আইনী উপায়েৰে অবৈধভাৱে আমেৰিকাত থকা ভাৰতীয়সকলক ঘূৰাই পঠোৱাত শেষাংশ ২ পৃষ্ঠাত

## দলে-বলে শক্তিপীঠ কামাখ্যা মন্দিৰ পালে ইডি

# কেলেংকাৰীয়ে জোকাৰিলে নীলাচল

### ৰিজু শৰ্মা, প্ৰয়াত ধীৰাজ-নৰকান্ত শৰ্মাৰ ঘৰত অভিযান

**আস্থাত কুঠাৰাঘাত! দেৱোত্তৰ ব'ৰ্ডত কোটি কোটি টকাৰ বৃহৎ খেলিমেলি**

ই-সংবাদ বিশেষ, ২৩ জানুৱাৰীঃ দেশত হিন্দুত্ববাদী চৰকাৰ। হিন্দুত্ববাদৰ জয়জয় ময়ময় অৱস্থা। হিন্দু ধৰ্মৰ প্ৰচাৰ-প্ৰসাৰৰ বাবে ন-ন লোক জড়িত হ'বলৈ ধৰিছে। ৫ পৃষ্ঠাত চাওক

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

### হিৰোছিমাৰ শান্তি স্মাৰক দৰ্শন

## জাপানত শিক্ষা লোৱাত ব্যস্ত চিএম



ই-সংবাদ, ২৩ জানুৱাৰীঃ জাপান ভ্ৰমণৰত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই জাপানত এডভান্টেজ আছাম ২.০ৰ কেইবাটাও কাৰ্যসূচীত ৩ পৃষ্ঠাত



## কুঁৱলী, বিমান উৰণত বহু বিলম্ব

ই-সংবাদ, ২৩ জানুৱাৰীঃ উত্তৰ-পূৰ্বাঞ্চলৰ আকাশত এতিয়া ঘন কুঁৱলীৰ আচ্ছাদন। আকাশ ধূলিময় হৈ শেষাংশ ৩ পৃষ্ঠাত

## সংবিধান সুৰক্ষাৰ বাবে প্ৰদেশ কংগ্ৰেছে ল'লে সংকল্প



### নাজিৰাত শোভাযাত্ৰা

ই-সংবাদ, নাজিৰা-বোকাখাত ২৩ জানুৱাৰীঃ বিজেপিৰ শাসনকালত বিপৰ্যস্ত হোৱা সংবিধানৰ সুৰক্ষাৰ বাবে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ৪ পৃষ্ঠাত


# নাইকিয়া হ'ল পঞ্চায়ত নিৰ্বাচনক লৈ থকা বাধা

### সকলোতে পাতিব পাৰিব নিৰ্বাচন

ই-সংবাদ, ২৩ জানুৱাৰীঃ অসমত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত থকা সকলো আইনী বাধা আঁতৰিল। গুৱাহাটী উচ্চ ন্যায়ালয়ে অসমৰ স্থগিতাদেশ ৩ পৃষ্ঠাত চাওক

### আইফোন নে এনড্ৰইড চাই নিৰ্ধাৰণ কৰে ভাৰা!

## ভাৰাক লৈ কেন্দ্ৰই উবেৰ-অলাক দিলে ধমক




নতুন দিল্লী, ২৩ জানুৱাৰীঃ স্মাৰ্টফোনৰ দাম আৰু ব্ৰেণ্ড লৈ গ্ৰাহকৰ বাবে ভিন্ন হয় ভাড়া। শেহতীয়াকৈ শেষাংশ ২ পৃষ্ঠাত

## চীনলৈ যাব বৈদেশিক সচিব বিক্ৰম মিশ্ৰী

নতুন দিল্লী, ২৩ জানুৱাৰীঃ ভাৰতৰ ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালৰ পিছত বৈদেশিক সচিব বিক্ৰম মিশ্ৰীৰ চীন ভ্ৰমণক শেষাংশ ২ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ট্ৰাম্পৰ নতুন নীতিৰ পিছতে তৎপৰ

ভাৰতৰ কোনো আপত্তি নাই। কিন্তু আমেৰিকাত কিমান ভাৰতীয় অনুপ্ৰৱেশকাৰী আছে, তেওঁলোকৰ চিনাক্তকৰণৰ কাম এতিয়াও চলি আছে আৰু এই সময়ত নিৰ্দিষ্ট সংখ্যা প্ৰকাশ কৰাটো সম্ভৱ নহয় বুলি মন্তব্য কৰে এছ জয়শংকৰে। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ আগত কয়, "আমি ভাৰতীয় প্ৰতিভা আৰু দক্ষতাক সৰ্বাধিক সুযোগ লাভ কৰাটো বিচাৰো। কিন্তু আমি অবৈধ অনুপ্ৰৱেশৰ তীব্ৰ বিৰোধিতা কৰোঁ। আমাৰ স্থিতি সদায় স্পষ্ট হৈ আহিছে- যদি কোনো ভাৰতীয় অবৈধভাৱে আন এখন দেশত থাকে, তেন্তে তেওঁলোকৰ প্ৰত্যাৱৰ্তন আইনী উপায়েৰে হ'ব।" বৈদেশিক মন্ত্ৰীগৰাকীয়ে লগতে কয় যে অবৈধ অনুপ্ৰৱেশ ৰোধৰ বাবে ভাৰতে সদায় আমেৰিকাকে ধৰি অন্য দেশৰ সৈতে যোগাযোগ কৰি আহিছে। তেওঁ কয় যে যদি অবৈধ অনুপ্ৰৱেশক অন্য অবৈধ কাৰ্যকলাপৰ সৈতে জড়িত কৰা হয় তেন্তে ই ভাৰতৰ সুনামৰ ক্ষতি কৰিব পাৰে। গতিকে এনে প্ৰব্ৰজনকাৰীক ঘূৰাই অনাৰ প্ৰয়োজনীয়তাৰ প্ৰতি ভাৰত সদায় সচেতন। উল্লেখ্য যে, ২০২৪ চনত পিউ ৰিচাৰ্চ চেণ্টাৰৰ এক প্ৰতিবেদন অনুসৰি আমেৰিকাত থকা সৰ্বাধিক অবৈধ অনুপ্ৰৱেশকাৰী হৈছে মেক্সিকান নাগৰিক, যাৰ সংখ্যা চাৰি মিলিয়নতকৈও অধিক। ইয়াৰ পিছতে এই তালিকাত স্থান লাভ কৰিছে এল ছালভাডৰ আৰু ভাৰতৰ অনুপ্ৰৱেশকাৰীয়ে। আমেৰিকা প্ৰশাসনেও উল্লেখ কৰিছে যে আমেৰিকাৰ মাটিত যথেষ্ট সংখ্যক ভাৰতীয় অবৈধ অনুপ্ৰৱেশকাৰী আছে। লক্ষ্যণীয় যে, আমেৰিকাৰ মছনদ দখলৰ পিছতে ৰাষ্ট্ৰপতি ডোনাল্ড ট্ৰাম্পে অবৈধ অনুপ্ৰৱেশ ৰোধৰ বাবে কেইবাটাও কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ট্ৰাম্পৰ বাবেই এতিয়া উদ্বিগ্ন হৈ পৰিছে আমেৰিকাত বসবাস কৰা বহু ভাৰতীয়ও। ইফালে, বৈদেশিক মন্ত্ৰীৰ এই বক্তব্যৰে ভাৰতে অবৈধ অনুপ্ৰৱেশ ৰোধৰ বাবে দৃঢ় স্থিতি গ্ৰহণ কৰি আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ দায়বদ্ধতা প্ৰদৰ্শন কৰিব বিচাৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চীনলৈ যাব বৈদেশিক সচিব বিক্ৰম

লৈ কূটনৈতিক মহলত চলিছে চৰ্চা। ২৬ জানুৱাৰীত দুদিনীয়া ভ্ৰমণসূচীৰে বেইজিঙলৈ যাব মিশ্ৰী। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই ভ্ৰমণ নিশ্চিত কৰিছে। তেওঁৰ এই ভ্ৰমণে ৰাজনৈতিক আৰু অৰ্থনৈতিক সম্পৰ্ক শক্তিশালী কৰাৰ লগতে সীমান্ত বিষয়ত গুৰুত্বপূৰ্ণ আলোচনাও অনুষ্ঠিত হ'ব বুলি আশা কৰা হৈছে। উল্লেখ্য যে, ইয়াৰ পূৰ্বে মাত্ৰ এমাহ পূৰ্বে চীন ভ্ৰমণ কৰিছিল ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালে। চীনৰ বৈদেশিক মন্ত্ৰী ৱাং য়িৰ সৈতে হোৱা বৈঠকত সীমান্তৰ শান্তি আৰু ফলপ্ৰসূ ব্যৱস্থাপনা বজাই ৰখাৰ বাবে বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা হয়। ডোভালৰ ভ্ৰমণৰ পিছত বৈদেশিক সচিব মিশ্ৰীৰ এই ভ্ৰমণক বিশেষভাৱে তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত কৰিছে বিশেষজ্ঞসকলে। মন কৰিবলগীয়া যে, ভাৰত আৰু চীনৰ সীমান্তৰ সমস্যা দীৰ্ঘদিনীয়া। ২০২০ চনত পূব লাডাখত প্ৰকৃত নিয়ন্ত্ৰণ ৰেখা (এল এ চি) পাৰ হৈ চীনৰ সৈন্যৰ অনুপ্ৰৱেশ আৰু তাৰ পিছত গালৱানত হোৱা ৰক্তাক্ত সংঘৰ্ষৰ ফলত দুয়োখন দেশৰ সম্পৰ্কত বৃহৎ বিভাজনৰ সৃষ্টি হয়। সেই সংঘৰ্ষত বিশজন ভাৰতীয় জোৱান শ্বহীদ হৈছিল। বিভিন্ন প্ৰতিবেদনত চীনৰ কেইবাজনো সৈনিকো নিহত হোৱা বুলি জানিব পৰা গৈছে। তাৰ পিছৰে পৰা সীমান্তত উত্তেজনা দূৰ কৰিবলৈ কূটনৈতিক আৰু সামৰিক পৰ্যায়ত কেইবাখনো বৈঠক অনুষ্ঠিত হয়। ২০২১ চনৰ জানুৱাৰী মাহত চুছুল-মালদো পইণ্টত কৰ্পছ কমাণ্ডাৰ পৰ্যায়ৰ বৈঠকত সীমান্তৰ পৰা সেনা প্ৰত্যাহাৰৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল। সেই প্ৰক্ৰিয়া ২০২৩ চনৰ নৱেম্বৰ মাহত অন্ত পৰে। শেহতীয়াকৈ ডোভালৰ ভ্ৰমণৰ পিছত এইবাৰ বৈদেশিক সচিবগৰাকীৰ এই ভ্ৰমণক লৈ জল্পনা-কল্পনা বাঢ়িছে। কূটনৈতিক সূত্ৰৰ মতে, মিশ্ৰীৰ ভ্ৰমণত সীমান্তৰ সমস্যা সমাধানৰ উপৰিও বাণিজ্য, অৰ্থনীতি, আৰু আঞ্চলিক নিৰাপত্তাৰ ওপৰত আলোচনাও থাকিব পাৰে। উল্লেখ্য যে, এই ভ্ৰমণে দুয়োখন দেশৰ মাজৰ শেহতীয়া বৈঠকসমূহে পেলোৱা প্ৰভাৱ উন্মোচন কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভাৰাক লৈ কেন্দ্ৰই উবেৰ-অলাক দিলে

ওলা আৰু উবেৰৰ দৰে এপ কেব কোম্পানীসমূহৰ ভাড়াৰ নিয়মক লৈ উত্থাপন হৈছে এক নতুন আৰু বিস্ফোৰক অভিযোগ। অভিযোগ অনুসৰি একেটা সেৱাৰ ভাড়া নিৰ্ধাৰণ কৰিবলৈ তেওঁলোকে স্মাৰ্টফোনৰ ব্ৰেণ্ডৰ ওপৰত নিৰ্ভৰ কৰি আছে। এই অভিযোগৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা মন্ত্ৰালয়ে কোম্পানী দুটালৈ জাননী প্ৰেৰণ কৰিছে। শেহতীয়াকৈ দিল্লীৰ এজন ব্যৱসায়ীয়ে অভিযোগ কৰিছিল যে একেটা সেৱাৰ বাবে আইফোন ব্যৱহাৰকাৰীৰ পৰা ওলা আৰু উবেৰে অধিক হাৰ লোৱাৰ বিপৰীতে এণ্ড্ৰইড ব্যৱহাৰকাৰীয়ে তুলনামূলকভাৱে কম মূল্য লাভ কৰিছে। ডিচেম্বৰ মাহত ছ'চিয়েল মিডিয়াতো এনে কেইবাটাও অভিযোগ উত্থাপন হৈছিল। কেইবাজনো গ্ৰাহকে দাবী কৰে যে দুয়োটা কোম্পানীয়ে স্মাৰ্টফোনৰ ব্ৰেণ্ডৰ ওপৰত ভিত্তি কৰি ভাড়াৰ হাৰ নিৰ্ধাৰণ কৰি আহিছে। এনে অভিযোগৰ পৰিপ্ৰেক্ষিতত কেন্দ্ৰই কয় যে স্মাৰ্টফোনৰ ব্ৰেণ্ডৰ ওপৰত ভিত্তি কৰি ভাড়া নিৰ্ধাৰণ কৰাটো অবৈধ। অভিযোগ সন্দৰ্ভত দুয়োটা সংস্থাৰ পৰা উত্তৰ বিচাৰিছে কেন্দ্ৰীয় চৰকাৰে। মোবাইল ব্ৰেণ্ডৰ ওপৰত ভিত্তি কৰি এনেদৰে ভাড়া নিৰ্ধাৰণৰ আঁৰৰ যুক্তি কি সেই প্ৰশ্ন কৰা হৈছে? গ্ৰাহক সুৰক্ষা মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয় যে কেন্দ্ৰই গ্ৰাহকক কোনো ধৰণে কৰা প্ৰতাৰণা সহ্য নকৰে। ইফালে এই অভিযোগ সন্দৰ্ভত স্পষ্টীকৰণ দি উবেৰে দাবী কৰে যে ফোনৰ ব্ৰেণ্ডৰ ওপৰত ভিত্তি কৰি ভাড়া নিৰ্ধাৰণ কৰা নহয়। তেওঁলোকে দাবী কৰে যে ভাড়া নিৰ্ধাৰণ কৰা হয় পিক আপ পইণ্ট, ড্ৰপ অফ পইণ্ট, আৰু সম্ভাব্য যাত্ৰাৰ সময়ৰ ওপৰত ভিত্তি কৰি। অৱশ্যে ইতিমধ্যে এই অভিযোগৰ সত্যতা পৰীক্ষা কৰিবলৈ কেন্দ্ৰই তদন্তৰ নিৰ্দেশ দিছে। অন্যহাতে, এই অভিযোগ পোহৰলৈ অহাৰ পিছত গ্ৰাহকৰ মাজত ক্ষোভ বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। কেব কোম্পানীটো দুটাৰ বিৰুদ্ধে কেন্দ্ৰীয় চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰো শলাগ লৈছে বহুতেতে। কিন্তু কেন্দ্ৰীয় চৰকাৰে নিৰ্দেশ দিয়া পৃথক ভাড়া নিৰ্ধাৰণৰ তদন্তত কি তথ্য পোহৰলৈ আহে, সেয়া আগন্তুক সময়ত লক্ষ্যণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰহস্যজনক মৃত্যু বায়ুসেনাৰ জোৱানৰ

শোকাবহ ঘটনা। ছাউনীটোত এজন জোৱান ৰহস্যজনকভাৱে গুলীবিদ্ধ হৈ নিহত হয়। নিহত জোৱানজনক বায়ুসেনাৰ ৯৫৬ স্কোৱাড্ৰনৰ জোৱান ৰূপেশ সিং পামা বুলি চিনাক্ত কৰা হৈছে। নিজ চাৰ্ভিছ পিষ্টলৰ গুলী লাগি নিহত হয় জোৱানজন। প্ৰাথমিক অনুসন্ধান্ত এয়া আত্মহত্যাৰ ঘটনা বুলি অনুমান কৰা হৈছে। সন্ধিয়া প্ৰায় ৭:৩০ বজাত এই ঘটনাটো সংঘটিত হোৱা বুলি জানিব পৰা গৈছে। মৃত জোৱানজনৰ ঘৰ ৰাজস্থানত বুলি জানিব পৰা গৈছে। কি কাৰণে আৰ এছ পৰ্মাই এনে চৰম সিদ্ধান্ত লৈছে, সেইটো এই মুহূৰ্তলৈ স্পষ্ট হোৱা নাই। ঘটনাৰ খবৰ পোৱাৰ পিছতে চাবুৱা আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ ঘটনা সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে। উল্লেখ্য যে, বায়ুসেনাৰ দৰে সংস্থাত কৰ্মৰত জোৱানৰ আত্মহত্যাৰ ঘটনা সচৰাচৰ দেখা নাযায়। এনে ঘটনাই বায়ুসেনাৰ কৰ্মচাৰীৰ মানসিক চাপৰ প্ৰশ্ন তুলি ধৰিছে। আৰক্ষীয়ে ইতিমধ্যে মৃত জোৱানজনৰ সহকৰ্মী আৰু পৰিয়ালৰ সৈতে যোগাযোগ স্থাপন কৰি তদন্ত আগবঢ়াইছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জাপানত শিক্ষা লোৱাত ব্যস্ত চিএম

আজি অংশ লয়। জাপানৰ ন্যায় বিভাগৰ ৰাজ্যিক মন্ত্ৰী কোমুৰা মাছাহিৰো আৰু ভূমি, আন্তঃগাঁথনি, পৰিবহণ আৰু পৰ্যটন বিভাগৰ ৰাজ্যিক মন্ত্ৰী ফুৰুকাৱা ইয়াছুহিক সাক্ষাৎ কৰে। দুয়োগৰাকীৰ মন্ত্ৰীৰ সৈতে মুখ্যমন্ত্ৰীগৰাকীয়ে দীঘলীয়া বাৰ্তালাপ কৰে। বাৰ্তালাপৰ অন্তত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অসমক জাপানী পৰ্যটকৰ পছন্দৰ গন্তব্যস্থান হিচাপে প্ৰচাৰৰ দিশত গুৰুত্ব প্ৰদান কৰা হৈছে। বৈচিত্ৰ্যময় পৰ্যটনস্থলী আৰু পৰ্যটন খণ্ডক শক্তিশালী কৰিবলৈ এই প্ৰয়াস। বৈঠকত জাপান-ভাৰত সম্পৰ্ক, অসমত ঔদ্যোগিক উদ্যান স্থাপনত গুৰুত্ব দিয়া হয়। মুখ্যমন্ত্ৰীয়ে জাপানৰ ওচাকাত অনুষ্ঠিত এডভাণ্টেজ আছাম ২.০ৰ ভাইব্ৰেণ্ট ৰোড শ্ব'ত অংশ লৈ ভাষণ প্ৰদান কৰে। বিনিয়োগ-অনুকূল অসম গঢ়ি তোলাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ অটল সমৰ্থনৰ ওপৰত গুৰুত্ব আৰোপ কৰি ড০ শৰ্মাই কয় যে বিনিয়োগকাৰীক আকৰ্ষিত কৰিব পৰাকৈ অসমত প্ৰচুৰ সম্পদ, প্ৰগতিশীল নীতি আৰু শক্তিশালী ব্যৱস্থা তথা বুলি উল্লেখ কৰে। লগতে কানচাই পেইণ্টৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু ভাৰতৰ ব্যৱসায়ৰ মুৰব্বী প্ৰবীণ চৌধুৰী, মাইক্ৰন মেম'ৰী ফেচিলিটীত কোম্পানীৰ উপাধ্যক্ষ জোছুয়া লী, কামেদা ছেইকাৰ মুখ্য কাৰ্যবাহী বিষয়া লেখ ৰাজ জুনেজাক সাক্ষাৎ কৰে। কোম্পানীৰ তিনিগৰাকী শীৰ্ষ বিষয়াক সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীয়ে বিনিয়োগৰ আশা প্ৰকাশ কৰিছে। কোম্পানীসমূহক অসমৰ ছেমিকণ্ডাক্টৰ উদ্যোগৰ অংশীদাৰ হ'বলৈ আমন্ত্ৰণ জনায়। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি ৰোড-শ্ব'ত কয় যে বুদ্ধৰ শিক্ষাই দুয়ো দেশ আৰু অসমৰ সৈতে সাংস্কৃতিক সম্পৰ্ক গঢ়ি তোলে। অসমৰ দক্ষ যুৱক-যুৱতীসকলে দুয়োখন ঠাইৰ সম্পৰ্ক টনকিয়াল আৰু জাপানৰ চাহিদা পূৰণ কৰাত সহায় কৰিব। জাপানী কোম্পানীসমূহৰ পৰা অৰ্থনৈতিক সম্পৰ্ক বৃদ্ধি হ'ব বুলি আশা প্ৰকট কৰে। টকিঅ'ৰ ভাৰতীয় দূতাবাসত ফুলবাৰী নদী দলং প্ৰকল্পৰ দৰে অসমৰ উন্নয়নত জাপান জড়িত থকাৰ কথা উল্লেখ কৰে। আন্তঃগাঁথনি, স্বাস্থ্যসেৱা আৰু অৰ্ধপৰিবাহীৰ দৰে ক্ষেত্ৰত গভীৰ সম্পৰ্ক স্থাপনৰ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে জাপানৰ কোম্পানীৰ বিষয়াসহ ১৬০ জনতকৈও অধিক বিশিষ্ট ব্যৱসায়ীক সাক্ষাৎ কৰিছে। টকিঅ' ভ্ৰমণৰ সময়ত জাপানী বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰিবলৈ সৰলতা, স্বচ্ছতা আৰু দক্ষতাৰ তিনি মন্ত্ৰ উপস্থাপন কৰে। আজি মুখ্যমন্ত্ৰীয়ে জাপানৰ ঐতিহ্যমণ্ডিত হিৰোছিমালৈ যায়। হিৰোছিমাৰ শান্তি স্মাৰক পৰিদৰ্শন কৰে। শান্তি স্মাৰকত মহাত্মা গান্ধীৰ আবক্ষ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নাইকিয়া হ'ল পঞ্চায়ত নিৰ্বাচনক লৈ

দিয়া আন ৯ এলেকাতো পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰাৰ অনুমতি প্ৰদান কৰি আজি নিৰ্দেশ প্ৰদান কৰিছে। ৯টা এলেকাত পঞ্চায়ত নিৰ্বাচন স্থগিত ৰখাৰ পূৰ্বৰ অন্তৰ্বৰ্তীকালীন স্থগিতাদেশ প্ৰত্যাহাৰ কৰিছে ন্যায়ালয়ে। আবেদনকাৰীসকলৰ অধিবক্তা এ কে তালুকদাৰে এই কথা নিশ্চিত কৰিছে যে এতিয়া ৯টা এলেকাতো পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰিব। শ্ৰীভূমি, হাইলাকান্দি, কাছাৰ আৰু মৰিগাঁৱত পূৰ্বে স্থগিতাদেশ দিয়া পঞ্চায়তত নিৰ্বাচন পাতিব পাৰিব। আবেদনকাৰীসকলে দাখিল কৰা গোচৰ সন্দৰ্ভত উচ্চ ন্যায়ালয়ে কয় যে গোচৰ অব্যাহত থাকিব। অৱশ্যে খেলিমেলিৰ প্ৰকৃত বিষয় দৃষ্টিগোচৰ হ'লে আদালতে নিৰ্বাচনত হস্তক্ষেপ কৰিব পাৰে বুলিও কয় অধিবক্তাই। উচ্চ ন্যায়ালয়ে ৬ ফেব্ৰুৱাৰীত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য কৰিছে। ৬ ফেব্ৰুৱাৰীৰ ৯টা ঠাইৰ নিৰ্বাচনক লৈ চূড়ান্ত ৰায় দিব পাৰে ন্যায়ালয়ে। ১০ জানুৱাৰীত উচ্চ ন্যায়ালয়ে গোচৰ চলি থকা ঠাইৰ বাহিৰে ৰাজ্যৰ বাকী অংশত পঞ্চায়ত নিৰ্বাচন পাতিব পাৰিব বুলি ৰায় দিছিল। চৰকাৰে এই ৰায়ক প্ৰত্যাহ্বান জনাই আবেদন কৰিছিল। যাক লৈ আজি আজি শুনানি অনুষ্ঠিত হয়। ফলস্বৰূপে, আদালতে বৰ্তমানৰ বাবে অন্তৰ্বৰ্তীকালীন স্থগিতাদেশ উঠাই লোৱাৰ সিদ্ধান্ত লয়। ১২ জানুৱাৰীত ন্যায়ালয়ে শেহতীয়া সীমানিৰ্ধাৰণ প্ৰক্ৰিয়াত অনিয়মৰ কথা উল্লেখ কৰি কেবাখনো জিলাৰ নিৰ্বাচন স্থগিত ৰাখিছিল। উচ্চ ন্যায়ালয়ে জিলাৰ বিবদমান পঞ্চায়তক এৰি বাকী অংশ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ কৈছিল। ৯খন লেখ আবেদন সামৰি লোৱা অঞ্চলসমূহক বাদ দি অন্য সকলো ঠাইতে অনুষ্ঠিত হ'ব নিৰ্বাচন আইনী বাধা আঁতৰ হোৱাত ৰাজ্য চৰকাৰে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব পাৰিব যদিও ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত নকৰে ৰাজ্য চৰকাৰে। কিয়নো বাকী অংশত নিৰ্বাচন পাতিবলৈ ৰায় দিয়াৰ পিছতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বহাগ বিহুৰ আগে-পিছে নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা যাব বুলি প্ৰতিক্ৰিয়া প্ৰদান কৰিছিল। ১০ জানুৱাৰীত কেবিনেট বৈঠকৰ সময়ত মুখ্যমন্ত্ৰীয়ে নিশা ১২ বজাৰ ভিতৰত ৰায় নিদিলে মেট্ৰিক আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা শেষ নোহোৱালৈ পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত কৰিব পৰা নাযাব বুলি মন্তব্য কৰিছিল। উল্লেখ্য যে, বিধানসভা সমষ্টি পুনৰ নিৰ্ধাৰণৰ পিছতে পঞ্চায়ত এলেকা নিৰ্ধাৰণত খেলি-মেলিৰ অভিযোগ উত্থাপন কৰি ব্যক্তি বিশেষে জনোৱা লেখ আবেদনৰ ভিত্তিত গোচৰ চলি আছে গুৱাহাটী উচ্চ ন্যায়ালয়ত। আজি এই গোচৰৰে শুনানি গ্ৰহণ কৰে ন্যায়ালয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কুঁৱলী, বিমান উৰণত বহু বিলম্ব

পৰাত বিমানৰ উৰণ বিঘ্নিত হৈ পৰিছে। বতৰৰ বাবে কেইবাখনো বিমানৰ উৰণ বাতিল কৰিবলগীয়া হৈছে। বিমান পৰিচালনা অচল হোৱাত আকাশী পথৰ ভ্ৰমণত ব্যাঘাত জন্মিছে। আজি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ, শ্বিলং, ডিব্ৰুগড়কে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিমানবন্দৰসমূহৰ পৰা বিমানৰ উৰণ বাতিল কৰিবলগীয়া হৈছে। গুৱাহাটীৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰ বতৰৰ পৰিস্থিতিৰ বাবে সন্ধিয়া ৭ বজালৈ ১৮ খন বিমান উৰণত বিলম্ব হৈছে। গুৱাহাটী বিমান বন্দৰত কেইবা শ যাত্ৰীয়ে বোন্দাপৰ দি থাকিবলগীয়া হয়। পুৱা বিমানৰ সময় আছিল যদিও সন্ধিয়া পৰ্যন্ত উৰণৰ বাবে অপেক্ষা কৰিবলগীয়া হৈছে। বিমান বন্দৰ কৰ্তৃপক্ষই অতিৰিক্ত বহাৰ ব্যৱস্থা, পানী, খাদ্য আদিৰ ব্যৱস্থা কৰিবলগীয়া হোৱা বুলি জানিব পৰা গৈছে। কেঁচুৱা, শিশু, ৰোগীয়া লোকে বিমানৰ বাবে ৰৈ থাকিবলগীয়া হোনাত এক অনাকাংক্ষতি পৰিস্থিতিৰ সৃষ্টি হয়। পুৱাৰে পৰা প্ৰতিকূল বতৰৰ বাবে মুঠ ১৮ খন বিমানৰ উৰণ প্ৰভাৱিত হৈছে। বিমানবন্দৰ কৰ্তৃপক্ষই যাত্ৰীসকলক টাৰ্মিনেল ভৱনবোৰত একত্ৰিত কৰি ৰাখে বুলি জানিব পৰা যায়। বিমানবন্দৰ কৰ্তৃপক্ষই কয় যে আমাৰ প্ৰাথমিকতা হৈছে যাত্ৰীৰ সুৰক্ষা আৰু আৰাম। অতিৰিক্ত আসন আৰু পানীৰ ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। যাত্ৰীসকলক বিমানবন্দৰলৈ যোৱাৰ পূৰ্বে তেওঁলোকৰ নিজ নিজ বিমান সেৱা সংস্থাৰ সৈতে যোগাযোগ কৰিবলৈ আৰু বিমানৰ সময়সূচী পৰীক্ষা কৰিবলৈ পৰামৰ্শ দিয়া হৈছে। আদানি এয়াৰপৰ্ট হোল্ডিংছ লিমিটেডৰ দ্বাৰা পৰিচালিত গুৱাহাটী বিমানবন্দৰে বতৰ বিজ্ঞানৰ বিভাগৰ তথ্য সংগ্ৰহ কৰি প্ৰত্যাহ্বানমূলক পৰিস্থিতিৰ মোকাবিলা কৰা বুলি জানিব পৰা গৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সংবিধান সুৰক্ষাৰ বাবে প্ৰদেশ কংগ্ৰেছে

নিৰ্দেশত অসম প্ৰদেশ কংগ্ৰেছ কমিটীয়ে আহ্বান কৰা সংবিধান সুৰক্ষা অভিযান আজি নাজিৰা ব্লক কংগ্ৰেছৰ উদ্যোগত নাজিৰাত শুভাৰম্ভ কৰা হয়। এই উপলক্ষে "জয় বাপু, জয় ভীম, জয় সংবিধান" ধ্বনি খঁচিত বেনাৰ লৈ নাজিৰা নগৰৰ নাট্য মন্দিৰৰ পৰা এম চি ক্লাবৰ সভাগৃহলৈ উলিওৱা এক শোভাযাত্ৰাত অংশগ্ৰহণ কৰে অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, নাজিৰাৰ বিধায়ক তথা বিধায়িনী দলৰ বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন সাংসদ পৱন সিং ঘাটোৱাৰ আৰু প্ৰদেশ কংগ্ৰেছ আৰু জিলা কংগ্ৰেছৰ বিষয়ববীয়াসকলে। সভাৰ থলীত মহাত্মা গান্ধী, বাবা চাহেব ভীমৰাও আম্বেদকাৰ, সুভাষ চন্দ্ৰ বসু আৰু প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰা হয়। নাজিৰা ব্লক কংগ্ৰেছৰ সভাপতি দিগন্ত সন্দিকৈৰ সভাপতিত্বত অনুষ্ঠিত হোৱা এই সভাত অংশগ্ৰহণ কৰে নাজিৰা সমষ্টিৰ কংগ্ৰেছ কৰ্মীসকলে। এই সভাত ভাষণ প্ৰদান কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় "কলিজাৰ কেঁচা তেজ ঢালি আমাৰ পূৰ্বপুৰুষে দেশৰ স্বাধীনতা আৰু উচ্চ সংবিধান প্ৰতিষ্ঠা কৰি গৈছে, বিজেপি আৰু আৰ এছএছে নহয়।" আৰএছএছ-বিজেপিয়ে সুযোগ পালেই মহাত্মা গান্ধী, সংবিধান প্ৰণেতা বাবা চাহেব আম্বেদকাৰক অপমান কৰি অহাৰ কথালৈ আঙুলিয়াই দিয়ে ভূপেন বৰাই। ইফালে কয়লাৰ ছিণ্ডিকেট চলা নাই বুলি দাবী কৰা মুখ্যমন্ত্ৰীয়ে উমৰাংছুৰ ঘটনাৰ পাচত আৰক্ষীক অনুসন্ধানৰ দায়িত্ব দিব লগা হ'ল, উদ্ধাৰৰ বাবে নৌ সেনা, এনডিআৰএফক দায়িত্ব অৰ্পণ কৰিব লগা হ'ল বুলি মন্তব্য কৰে বৰাই। ভাষণত কংগ্ৰেছৰ প্ৰদেশ সভাপতিগৰাকীয়ে কংগ্ৰেছ দলে অবৈধ কয়লা খনন বন্ধ কৰাৰ দাবী কৰাৰ সময়ত মুখ্যমন্ত্ৰীয়ে কৰা আওকান, মাৰ্ঘেৰিটাত অনুৰূপভাৱে মহিলাৰ ধৰ্ষণকাৰীক দলীয় আনুগত্যৰে ৰেহাই দিয়া আদি বিভিন্ন ঘটনাৰ উদাহৰণ দিয়ে আৰু সাধাৰণ নাগৰিকৰ পৰা স্বাধীনতা আৰু সম অধিকাৰ কাঢ়ি নিয়াৰ অভিযোগ কৰে। তেওঁ কয় যে এনেদৰে জাতি মাটি ভেটি ৰক্ষা নহয়। এতিয়া অসমৰ ৰাইজে এক বিকল্প বিচাৰিছে আৰু স্বাধীনতা সংগ্ৰামৰ বীৰ শ্বহীদ, মুক্তি যোদ্ধাসকলে প্ৰতিষ্ঠা কৰি যোৱা স্বাধীনতা আৰু সংবিধানৰ মৰ্য্যাদা কংগ্ৰেছ দলে পুনৰ প্ৰতিষ্ঠা কৰিবলৈ কংগ্ৰেছৰ নেতৃত্ব জনসাধাৰণৰ ওচৰলৈ অহা বুলি কয়। জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা প্ৰাক্তন সাংসদ পৱন সিং ঘাটোৱাৰে আৰএছএছে বিগত পঞ্চাশ বছৰে ৰাষ্ট্ৰীয় পতাকালৈ সন্মান যচাৰ নজিৰ নাই বুলি কয়। প্ৰদেশ কংগ্ৰেছৰ সভাপতিৰ দ্বাৰা ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনা অসমীয়াত পুনৰ পাঠ কৰি সভাত উপস্থিত সকলোকে সকলো নাগৰিকৰ বাবে সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক ন্যায়, চিন্তা আৰু উপাসনাৰ স্বাধীনতাৰ সুৰক্ষাৰ শপত গ্ৰহণ কৰোৱা হয়। সভাত নাজিৰাৰ প্ৰয়াত মুক্তিযোদ্ধা ক্ৰমে ৰতি গগৈ, চন্দ্ৰ চেতিয়া, দুৰ্লভ গগৈ, নিত্যানন্দ বৰবৰুৱা, ফণী বৰুৱা, বিশ্ব বৰফুকন, সোণাবৰ দত্ত, কেদাৰনাথ বৰঠাকুৰ, উপেন গগৈ আদিৰ পৰিয়ালৰ প্ৰতিনিধিক সম্বৰ্দ্ধনা জ্ঞাপন কৰে কংগ্ৰেছে। সভাত শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতি মঞ্জিৰ গগৈ, প্ৰদেশ কংগ্ৰেছৰ সম্পাদক লক্ষীনাথ সন্দিকৈ, অজয় গগৈ আদিয়ে ভাষণ দাঙি ধৰে। নাজিৰাত আগতীয়াকৈ আৰম্ভ হোৱা এই অভিযান ২৭ জানুৱাৰীত কেন্দ্ৰীয়ভাৱে মধ্যপ্ৰদেশৰ ইন্দোৰত অনুষ্ঠিত হোৱাৰ কথা। আনহাতে, আজি বোকাখাততো কংগ্ৰেছে 'জয় বাপু, জয় ভীম, জয় সংবিধান' শীৰ্ষক কাৰ্যসূচী ৰূপায়ন কৰে। নিখিল ভাৰত কংগ্ৰেছৰ আহ্বান মৰ্মে আৰু অসম প্ৰদেশ কংগ্ৰেছৰ আহ্বানত গোলাঘাট জিলা কংগ্ৰেছ আৰু বোকাখাত টাউন ব্লক কংগ্ৰেছৰ উদ্যোগত বোকাখাতত 'জয় বাপু, জয় ভীম, জয় সংবিধান' শীৰ্ষক কাৰ্যসূচী ৰূপায়ন কৰে। নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জন্মজয়ন্তী উপলক্ষে অনুষ্ঠিত এই কাৰ্যসূচীত গোলাঘাট জিলাৰ কংগ্ৰেছৰ কেইবা শতাধিক নেতা-কৰ্মী উপস্থিত থাকে। নেতাজী সুভাষ চন্দ্ৰ বসুৰ প্ৰতিচ্ছৱিত মাল্যৰ্পণ কৰি কংগ্ৰেছৰ নেতা-কৰ্মী আৰু স্থানীয় লোকে শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কাৰ্যসূচীত লোকসভাৰ বিৰোধী উপ-দলপতি গৌৰৱ গগৈ উপস্থিত থাকে। গৌৰৱ গগৈয়ে সদনত ভিতৰত বাবাচাহেব আম্বেদকাৰৰ নাম লোৱাটো ফেশ্বনত পৰিণত হোৱা বুলি গৃহমন্ত্ৰী অমিত শ্বাহে উল্লেখ কৰা মন্তব্য নিজ মোবাইলৰ পৰা উপস্থিত ৰাইজক শুনাই। সেই মন্তব্যত অমিত শ্বাহে কৈছিল 'আম্বেদকাৰৰ নাম লোৱাটা এতিয়া এক 'ফেশ্বন' হৈ পৰিছে। আম্বেদকাৰ, আম্বেদকাৰ, আম্বেদকাৰ, আম্বেদকাৰ, আম্বেদকাৰ...। ইমানবাৰ ভগৱানৰ নাম ল'লে সাত জনমলৈ স্বৰ্গ লাভ কৰিলেহেঁতেন।' এই মন্তব্যৰ আঁত ধৰিয়েই গৌৰৱ গগৈয়ে ভাষণ আৰম্ভ কৰি বিজেপি দলক তীব্ৰ সমালোচনা কৰে। বিজেপিয়ে ভাবে আম্বেদকাৰৰ নাম লোৱাটো এটা ফেশ্বন। এনে অপমানজনক মন্তব্য কোনো ৰাজহুৱা সভাত দিয়া নাই। নিজ ঘৰত কোৱা নাই। সদনত এই কথা কৈছে। এয়াই হৈছে তেওঁলোকৰ বাস্তৱ চিন্তা, বাস্তৱ পৰম্পৰা। এয়াই হৈছে তেওঁলোকৰ সংস্কৃতি। গগৈয়ে বিগত লোকসভা নিৰ্বাচনৰ প্ৰসংগ উল্লেখ কৰি কয় যে যোৱা লোকসভা নিৰ্বাচনত তেওঁলোকে কৈছিল আমি যদি ৪০০ খন আসন পাওঁ, তেন্তে আমি সংবিধান সলনি কৰিম। তেওঁলোকে পঞ্চায়তৰ অধিকাৰ, সংৰক্ষণৰ অধিকাৰ সকলোৰেই সলনি কৰিব বিচাৰিছে। সংবিধানে অনুসূচিত জাতি-জনজাতি, হিন্দু-মুছলমান, জৈন, শিখ, খ্ৰীষ্টান সকলোকে সমান অধিকাৰ দিছে। এই মূল্য সলনি কৰিব বিচাৰিছে। তেওঁলোকে আজি সকলোকে সমান চকুৰে নাচায়, সকলোকে সমান অধিকাৰ নিদিয়ে, সমান সন্মান নিদিয়ে। বিজেপিৰ উদ্দেশ্যে হৈছে মহাত্মা গান্ধীক অপমান কৰা। বিজেপিৰ উদ্দেশ্যে হৈছে বাবাচাহেবক অপমান কৰা। তেওঁলোকৰ উদ্দেশ্যে হৈছে সংবিধান সলনি কৰা। কিন্তু এটা কথা যেতিয়ালৈকে কংগ্ৰেছ দল আছে তেতিয়ালৈকে বিজেপিৰ সপোন বাস্তৱ হ'ব নিদিও। আমি সংবিধান, মহাত্মা গান্ধী আৰু বাবাচাহেবৰ আদৰ্শ জীয়াই ৰাখিম। সংবিধানত উল্লেখ থকা অধিকাৰ যাতে সকলোৱে লাভ কৰে তাৰ বাবে কংগ্ৰেছ সদায়েই যুঁজি যাম। ড০ আম্বেদকাৰ আৰু তেওঁৰ দেশৰ প্ৰতি আগবঢ়াই যোৱা বৃহৎ অৱদানক স্মৰণ কৰে গৌৰৱ গগৈয়ে। সদনত দিয়া গৃহমন্ত্ৰী অমিত শ্বাহৰ মন্তব্যক মনত পেলাই গগৈয়ে বিজেপিৰ প্ৰকৃত মানসিকতা স্পষ্টভাৱে প্ৰতিফলিত হোৱা বুলি কয়। গগৈয়ে বিজেপিক আক্ৰমণ কৰি কয় যে বিজেপিয়ে কেৱল ৰাজনৈতিক লাভালাভৰ বাবে মহাত্মা গান্ধী আৰু বাবাচাহেবৰ নাম ব্যৱহাৰ কৰে। নিষ্ঠাবান মহান ব্যক্তিসকলৰ মূল্যবোধক সুৰক্ষিত কৰি সমাজত জীয়াই ৰখাৰ বাবে কংগ্ৰেছ দল প্ৰতিশ্ৰুতিবদ্ধ। আজিৰ সভাতে বহু নেতা-কৰ্মীয়ে কংগ্ৰেছ দলত যোগদান কৰে।

# বৰপেটাৰোড ক্লাবৰ সোণালী জয়ন্তীৰ সফল সামৰণি

**ই-সংবাদ, বৰপেটাৰোড, ২৩ জানুৱাৰীঃ** বৰপেটাৰোডৰ বিশিষ্ট ব্যক্তিসকলৰ দ্বাৰা স্থাপিত আগশাৰীৰ প্ৰতিষ্ঠান 'বৰপেটাৰোড ক্লাবে' এইবেলি ৫০ বৰ্ষত পদাৰ্পন কৰে। ক্লাবৰ সোণালী জয়ন্তী বৰ্ষপূৰ্তি উপলক্ষে দুদিনীয়া কাৰ্যক্ৰমণিকাৰে ক্লাবটোৰ সোণালী জয়ন্তী বৰ্ষৰ সামৰণি পৰে। সেই অনুসৰি মঙলবাৰে পুৱা ৬ বজাত বৰপেটাৰোড ক্লাবৰ উদ্যোগত পুৰুষৰ দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। ক্লাবৰ সভাপতি বাবুলাল মোৰ আৰু উদযাপন সমিতিৰ সভাপতি ড০ ৰমেন্দ্ৰ কুমাৰ দাসে দৌৰ প্ৰতিযোগিতা উদ্বোধন কৰে। ইয়াৰ পিছত সোণালী জয়ন্তী উদযাপন সমিতিৰ সভাপতি ড০ ৰমেন্দ্ৰ কুমাৰ দাসৰ লগতে ক্লাবৰ সদস্য ক্ৰমে বিকাশ সাহা, মহেন্দ্ৰ নাথ দাস, শ্যামল মুখাৰ, ডালিম পাটোৱাৰী, ডাঃ হীৰালাল কৰ্মকাৰ, ডাঃ ৰেজাউল কৰিম, অখিলানন্দ পাঠক, বীণাপাণি কাকতি, ড০ জয়া বিশ্বাস কুণ্ডু আৰু ভূপালী পাঠক চৌধুৰীয়ে আন দহখন পতাকা উত্তোলন কৰে। স্মৃতি তৰ্পণ আৰু বন্তি প্ৰজ্বলন অনুষ্ঠান মুকলি কৰিব ক্ৰমে ক্লাবৰ সদস্যা চিত্ৰলেখা চৌধুৰী আৰু গৌৰীশংকৰ খেমকাই। দিনৰ ১১ বজাত ক্লাবৰ সদস্যসকলৰ সমদল আৰু খেল-ধেমাজি প্ৰতিযোগিতা অনুষ্ঠিত হয়। আনহাতে, দ্বিতীয় দিনৰ কাৰ্যসূচীত বৰপেটাৰোড ক্লাবৰ ৫০ বৰ্ষত পূৰ্তি উপলক্ষে এখন স্মৰণিকা উন্মোচন কৰা হয়। সন্ধিয়াৰ সংস্কৃতিক অনুষ্ঠানত ভিন্নৰঙী সংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হয়। সন্ধিয়াৰ সম্পাদক অৰূপ কুমাৰ বায়নে আঁত ধৰা মুকলি সভা অনুষ্ঠানত উপস্থিত থাকে জ্যেষ্ঠ কেবিনেট মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, সৰভোগ সমষ্টিৰ বিধায়ক মনোৰঞ্জন তালুকদাৰ, বি এইচ কলেজৰ অধ্যক্ষ ভূষণ পাঠক, বিশিষ্ট সমাজ সেৱক ডেভিড লেজাৰ, বৰপেটাৰোড পৌৰসভাৰ পৌৰপতি ৰাজেশ সৰকাৰৰ লগতে ভালেকেইজন সন্মানীয় ব্যক্তি।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চেলেংহাটৰ তিৰুহিলচত নগাৰ সন্ত্ৰাস

সৃষ্টি হোৱা উত্তেজনা আজিও অব্যাহত আছে। ৰাজ্য চৰকাৰৰ আওকণীয়া মনোভাৱ তথা জিলা প্ৰশাসনৰ নিৰ্লিপ্ততাৰ সুযোগ গ্ৰহণ কৰি নগাই চেলেংহাট আৰক্ষী চকীৰ অন্তৰ্গত ৰজাবাৰী গাঁৱৰ কাষতে থকা তিৰুহিলচ বনাঞ্চলত নগাই আজিও অব্যাহত ৰাখিছে অবাধ বেদখল। বেদখলতে ক্ষান্ত নাথাকি নগাই অসমৰ গঁওাক মুকলিকৈয়ে ভাবুকি প্ৰদান কৰাত চৰম আতংকত ভুগিছে সীমান্তবাসী। উল্লেখ্য যে, নগাৰ বেদখলৰ তথ্য সংবাদমাধ্যম তথা জিলা প্ৰশাসনক প্ৰদান কৰাৰ সন্দেহত নগাই ৰজাবাৰী গাৱৰ সন্তোষ কৰ্মকাৰক অপহৰণৰ উদ্দেশ্যে বিচাৰি ফুৰাত সন্তোষ কৰ্মকাৰে ঘৰ এৰি পলায়ন কৰিবলৈ বাধ্য হৈছে। ইপিনে আজি নগাৰ বেদখল সন্দৰ্ভত যোৰহাট জিলা প্ৰশাসনৰ এটা দলে ইয়া চাং চি নগা বস্তীত মোককচাঙ জিলাৰ নগা প্ৰশাসনৰ সৈতে এক বৈঠকত মিলিত হয়। অসমৰ বন বিভাগ তথা তিতাবৰ মহকুমা আৰক্ষী বিষয়াৰ নেতৃত্বত যোৱা দলটোকৰ আগত নাগালেণ্ডৰ ইয়া চাং বস্তীৰ নগাই বেদখলকৃত ভূমিসমূহ নাগালেণ্ডৰ বুলি যুক্তি দাঙি ধৰে। ইয়াৰ পিছতে টীয়কৰ ৰাজহ চক্ৰ বিষয়াগৰাকীয়ে মেপ দেখুৱাই দখলীকৃত ভূমিসমূহ অসমৰ বুলি নাগালেণ্ডৰ প্ৰশাসনক স্পষ্ট কৰি দিয়ে যদিও নাগালেণ্ডৰ প্ৰশাসন তথা ইয়া চাং চিৰ নগাসকলে নিজৰ স্থিতিত আকোৰগোজ হৈ থকাত কোনো স্পষ্ট সমাধানসূত্ৰ নোলাল। ইফালে আজি দিনৰ ভাগৰ ৰজাবাৰী গাৱৰ কাষতে থকা তিৰুহিলচত অস্ত্ৰধাৰী নগাৰ মুক্ত বিচৰণ দেখি স্থানীয় লোকসকল অধিক আতংকিত হৈ পৰিছে। উল্লেখ্য যে মৰিয়নি সমষ্টিৰ অসম-নাগালেণ্ড সীমান্তত নগাই বিভিন্ন সময়ত ধনজন হানি কৰি ৰাইজক ভীতিগ্ৰস্ত কৰি আহিছে যদিও ৰাইজৰ নিৰাপত্তা প্ৰদানত চূড়ান্ত ব্যৰ্থ হৈছে অসমৰ প্ৰশাসন। আনহাতে, শিৱসাগৰৰ জিলাৰ হালোৱাটিঙতো নগাই বিবদমান এলেকাৰ ভূমি খন্দা পৰিলক্ষিত হৈছে। অসম-নগালেণ্ড সীমান্তৰ যিটো পাহাৰৰ টিলাত প্ৰায় পাঁচ বছৰ পূৰ্বে শিৱসাগৰ জিলা প্ৰশাসনে এটা বিঅ'পি স্থাপনৰ বাবে প্ৰস্তুতি চলাইছিল সেই টিলাটো নগা লোকে খান্দিবলৈ আৰম্ভ কৰা বুলি জানিব পৰা গৈছে। সম্প্ৰতি উক্ত টিলাটোত তিনি-চাৰিখনকৈ ফকলেণ্ড লগাই গছ-গছনি কাটি তহিলং কৰাৰ লগতে পাহাৰৰ টিলা কাটি নাগালেণ্ডে নিজৰ বুলি দাবী কৰাৰ গুৰুতৰ অভিযোগ উঠিছে। অসমীয়া যুৱ মঞ্চৰ এক সঁজাতি দলে উক্ত বিবদমান এলেকাটো পৰিদৰ্শন কৰি মাটি খনন কাৰ্য বন্ধ কৰিবলৈ দাবী জনাইছে। লগতে উক্ত স্থানত সংগঠনটোৱে অসম চৰকাৰ হায় হায়, নাগালেণ্ড চৰকাৰ হুচিয়াৰ, অসমৰ মাটি নাগালেণ্ড চৰকাৰে কটা বন্ধ কৰক, অসমৰ ভূমিত বেদখল নচলিব ইত্যাদি শ্ল'গানেৰে উত্তপ্ত কৰি তোলে। উল্লেখ্য যে হালোৱাটিং আৰক্ষী থানাৰ অন্তৰ্গত অসম-নাগালেণ্ড সীমান্তত শিৱসাগৰ জিলা প্ৰশাসনে বিঅ'পি স্থাপন কৰিবলৈ প্ৰস্তুতি চলোৱা স্থানতে অবাধ হাৰত পাহাৰৰ টিলা কাটি তহিলং কৰা কাৰ্য্যক লৈ বৰ্তমান সমগ্ৰ জিলাখনতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কেলেংকাৰীয়ে জোকাৰিলে নীলাচল

বিভিন্ন মাধ্যমত হিন্দু ধৰ্মৰ আদৰ্শ বিয়পাই থকা হৈছে। তাৰ মাজতে অসমৰ শক্তিপীঠ কামাখ্যা মন্দিৰৰ প্ৰায় ৮ কোটি টকা আত্মসাৎ কৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। ইতিমধ্যে তদানীন্তন দেৱোত্তৰ বৰ্ডৰ নেতৃত্ব বহন কৰা কেইবাগৰাকী প্ৰভাৱশালী লোকৰ ঘৰত বুধবাৰে প্ৰৱৰ্তন সঞ্চালকালয় চমুকৈ ইডিয়ে অভিযান চলায়। কামাখ্যা দেৱোত্তৰ বৰ্ডৰ প্ৰভাৱশালী প্ৰশাসনিক দায়িত্বত থকা ৰিজু প্ৰসাদ শৰ্মা, বৰ্ডৰ প্ৰাক্তন বিষয়ববীয়া প্ৰয়াত ধীৰাজ শৰ্মা আৰু নৰকান্ত শৰ্মাৰ ঘৰত কেইবাঘণ্টীয়া অভিযান চলে। অভিযানত ১.৮২ কোটি টকাৰ বীমা পলিচী জব্দ কৰিবলৈ সক্ষম হোৱা বুলি ইডিয়ে এক বিবৃতি জাৰি কৰিছে। ৰিজু প্ৰসাদ শৰ্মা, প্ৰয়াত ধীৰাজ শৰ্মা আৰু নৰকান্ত শৰ্মাৰ পৰিয়ালৰ ২৭টা বেংক একাউণ্ট জব্দ কৰিছে ইডিয়ে। কেৱল ১.৮২ কোটি টকাৰ বীমা পলিচীয়ে নহয়, অন্য অন্য সম্পত্তি, ব্যৱসায় প্ৰতিষ্ঠানৰ তথ্য, আপত্তিজনক নথি-পত্ৰও লাভ কৰিছে ইডিয়ে। অভিযোগ মতে, ২০০৩ চনৰ পৰা ২০১৯ চনলৈ দেৱোত্তৰ বৰ্ডলৈ নিৰ্বাচিত হোৱা বিষয়-ববীয়াসকলে কামাখ্যা মন্দিৰৰ সংগৃহীত পুঁজিৰ ব্যাপক লুণ্ঠন কৰিছিল। এইসকল বিষয়ববীয়াই আন্তগাঁথনি উন্নয়নৰ ধন, ভক্তই প্ৰদান কৰা দান, চৰকাৰী আঁচনিৰ ধন, নেতা-মন্ত্ৰী, উদ্যোগতপতিয়ে দিয়া শকত ধনৰ ব্যাপক খাম-খেয়ালি কৰাৰো অভিযোগ উত্থাপিত হৈছে। প্ৰতিদিনে ভক্তৰ পৰা লাভ কৰা দান আৰু চৰকাৰী-বেচৰকাৰী সংস্থা, প্ৰভাৱশালী লোকে দিয়া শকত ধনৰ পৰা এটা বৃহৎ পুঁজি গঠন হয়। বছৰেকত এই পুঁজিৰ পৰিমাণ ১৫ৰ পৰা ২০ কোটি হোৱাৰ অনুমান কৰা হৈছে। এই পুঁজিৰ ব্যৱহাৰত লাগে কামৰূপ মহানগৰ জিলাৰ জিলা আয়ুক্তৰ অনুমতি। এই পুঁজি পোহৰ, চাফাই, আন্তগাঁথনি, নিৰ্মাণ, শ্ৰমিক নিয়োগ, পুৰোহিতৰ দা-দৰমহা আদিত খৰচ কৰা হয়। কিন্তু এই পুঁজিৰ খৰচ কৰাৰ নামত বৃহৎ অনিয়ম সংঘটিত হৈছিল। দীৰ্ঘদিন দেৱোত্তৰ বৰ্ডত কব্জা কৰি থকা একাংশ লোকে বিভিন্ন সামগ্ৰীৰ ক্ৰয়-বিক্ৰয় কৰাৰ নামত ভুৱাকৈ ধনৰ খৰচ দেখুৱাই মন্দিৰৰ পুঁজিৰ পৰা ধনৰ শ্ৰাধ কৰিছিল। হকে-বিহকে খৰচ কৰা দেখুৱাই সেই টকাৰে কোটি কোটি টকাৰ ধন-সম্পত্তি গঢ়ি তুলিছিল। ইয়াৰ ভিতৰত অন্যতম হৈছে বৈদ্যুতিক সামগ্ৰী, চিমেণ্ট, পৰিস্কাৰ-পৰিচ্ছন্নতাৰ কামত ব্যৱহৃত ৰাসায়নিক দ্ৰব্য, শ্ৰমিক নিয়োগ কৰাত ব্যাপক লুণ্ঠন আদি। এই সন্দৰ্ভত দীৰ্ঘদিন ধৰি অভিযোগ উত্থাপন হৈ আছিল। এই সন্দৰ্ভত ধনৰ অবৈধ সৰবৰাহ প্ৰতিৰোধ আইনৰ অধীনত চিআইডিয়ে এটা গোচৰ ৰুজু কৰিছিল। গোচৰৰ ভিত্তিত তদন্ত অব্যাহত থকাত কেলেংকাৰীৰ তথ্য হাতত লাগে ইডিৰ। ইডিৰ বিষয়াই লাভ কৰা তথ্য অনুসৰি ৫০ হাজাৰতকৈ বেছি টকা খৰচ কৰিবলৈ লাগিলে প্ৰয়োজন হয় কামৰূপ মহানগৰ জিলাৰ জিলা আয়ুক্তৰ অনুমতি। কিন্তু ৫০ হাজাৰ টকা বাবে তাতকৈ কম টকা খৰচ কৰিলে জিলা আয়ুক্তৰ অনুমতিৰ প্ৰয়োজন নাথাকে। যাৰ বাবে দেৱোত্তৰ বৰ্ডত জড়িত ৰিজু প্ৰসাদ শৰ্মাৰ দৰে বাৰে বাৰে ৫০ হাজাৰ টকাকৈ উলিয়াই এই কাণ্ড সংঘটিত কৰিছিল। এই কথা খোদ উল্লেখ কৰিছে ইডিৰ বিবৃতিত। ইডিৰ অভিযানৰ পিছতে কামাখ্যা দেৱোত্তৰ বৰ্ডত সংঘটিত ৭.৬২ কোটি টকাৰ হাৱালা কেলেংকাৰীয়ে মা কামাখ্যা দেৱীৰ ভক্তক আঘাত প্ৰদান কৰিছে। প্ৰশাসনিক ৰিজু প্ৰসাদ শৰ্মাৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে একাংশ লোকে। পদ খামুচি ধৰি থাকি ধন লুটিছিল বুলি অভিযোগ আনিছে নাম প্ৰকাশত অনিচ্ছুক একাংশ লোকে। ২০০৩-২০১৯ চনৰৰ ভিতৰত সংঘটিত কেলেংকাৰীৰ উচিত তদন্তৰ দাবী জনাইছে ৰাইজে। পাপকো ভয় নকৰা মা কামাখ্যা দেৱীৰ নামত ধন লুটি খোৱাসকলক উচিত শাস্তি দিয়াৰ দাবী উত্থাপন কৰিছে। লগতে সমগ্ৰ বিষয়টোক লৈ ৰাজ্যত সৃষ্টি হৈছে তীব্ৰ প্ৰতিক্ৰিয়াৰ।

# ৰাজীৱ শদিয়াৰ ঘৰত অনুসূচিত জাতি ছাত্ৰ সন্থাৰ দল

**ই-সংবাদ, ২৩ জানুৱাৰীঃ** সদৌ অসম অনুসূচিত জাতি ছাত্ৰ সন্থাৰ এটা সঁজাতী দলে আজি প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়াৰ শদিয়াস্থিত টোপচিঙা গাঁৱৰ বাসগৃহত উপস্থিত হয়। অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পাৰস জ্যোতি দাসৰ নেতৃত্বক যোৱা সঁজাতী দলটোৱে প্ৰয়াত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে আৰু গণশিল্পীগৰাকীৰ আত্মাৰ চিৰশান্তি কামনা কৰে। প্ৰয়াত ৰাজীৱ শদিয়াৰ পৰিয়ালক সাক্ষাৎ কৰি শোক প্ৰস্তাৱ প্ৰদান কৰি পৰিয়ালটোক সমবেদনা জ্ঞাপন কৰে। অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পৰশ জ্যোতি দাসে প্ৰয়াত ৰাজীৱ শদিয়া স্বজাতিৰ প্ৰতি দায়বদ্ধ শিল্পী বুলি উল্লেখ কৰে। গণশিল্পী শদিয়া সদায়েই অসমীয়াৰ হৃদয়ত থাকিব বুলি কয়। লগতে ৰাজীৱৰ পৰিয়ালটোক সহায় কৰিবলৈ চৰকাৰক অনুৰোধ জনাইছে অনুসূচিত জাতিৰ সংগঠনটোৱে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহানগৰীত হাতীৰ আৰ্তনাদ শুনিও শুনা

পৰা গুজৰাটস্থিত আম্বানিৰ বনতাৰালৈ নিয়া কথাক ন্যায্যতা প্ৰদানৰ চেষ্টা চলোৱা হৈছে তেনে সময়তে এইখন অসমত চিকিৎসা সেৱাৰ অভাৱত হাহাকাৰ কৰিবলগীয়া হৈছে বন্যহস্তীয়ে। গুৱাহাটী মহানগৰীতে এটা হাতীয়ে যন্ত্ৰণাকাতৰ সময় অতিবাহিত কৰিছে যদিও অসমৰ বন বিভাগে চিকিৎসাৰ ব্যৱস্থা কৰা নাই। হাতীটোৰ এখন ভৰি ফুলি গৈছে যদিও বন বিভাগৰ চিকিৎসকে চিকিৎসাৰ ব্যৱস্থা নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। বিগত তিনিটামাহে গুৱাহাটী মহানগৰীৰ বীৰকুচিত আৰ্তনাদ কৰি জীয়াই আছে হাতীটোৱে। নিমাখিত প্ৰাণীটোৱে পথৰ দাঁতিত থিয় হৈ মানুহৰ সহায়ৰ বাবে সদায়েই অপেক্ষা কৰি সময় পাৰ কৰিছে। কিন্তু কোনো প্ৰকৃতি প্ৰেমী সংগঠন, বন বিভাগে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি জানিব পৰা গৈছে। বিভিন্ন স্থানীয় লোকে ৰোগাক্ৰান্ত হাতীটোক খাদ্য যোগান ধৰি আহিছে যদিও বন বিভাগে বালিত মূৰ গুজি আছে। জানিব পৰা মতে, মহানগৰীৰ বীৰকুচি অঞ্চলৰ লোকে প্ৰায় তিনিমাহ ধৰি হাতীটোক ৰোগাক্ৰান্ত অৱস্থাত প্ৰত্যক্ষ কৰি আহিছে। পিছপিনৰ এখন ভৰি ফুলি গৈছে। ভৰিখন দাঙিব নোৱাৰে। যাৰ বাবে সামান্য এলেকাটোলৈ ভৰিখন লেকেছিয়াই লেকেছিয়াই গতি কৰিবলৈ সক্ষম হয়। যন্ত্ৰণাত ছটফটাই থকা হাতীটোৰ নাম ৰখা হৈছে লালি। ৩ মাহ পূৰ্বে খাদ্যৰ সন্ধানত আমচিং অভয়াৰণ্যৰ পৰা ওলাই অহা এটা জাকৰ পৰা হাতীটো জনাঞ্চলত বন্দী হৈ পৰিছে। জাকৰ সৈতে উভতি যাব নোৱাৰিলে ৰোগাক্ৰান্ত হাতীটোৱে। প্ৰথমতে ভৰিত আঘাত পাইছিল হাতীটোৱে। আঘাত গৈ ঘাঁ হৈ পৰে। নাৰেংগী সেনা শিবিৰৰ চৌহদত বন্দী হৈ পৰা হাতীটোক চোৰা-চিতা কৰিবলৈ আহৰি পোৱা নাই বন বিভাগ। স্থানীয় ৰাইজ ক্ষোভ ব্যক্ত কৰি চৰকাৰক কেইবাটাও প্ৰশ্ন কৰিছে। অসমৰ ৰুগীয়া হাতীক বহিঃৰাজ্যৰ উদ্যোগপতিৰ হাতত তুলি দিয়া চৰকাৰে অসমৰ ৰুগীয়া হাতীকেইটাক শুশ্ৰূষা কৰি সুস্থ কৰি তুলিব নোৱাৰে তেন্তে বন বিভাগৰ প্ৰয়োজন কি বুলি ৰাইজে প্ৰশ্ন কৰিবলৈ আৰম্ভ কৰিছে। যদি অসমৰ জীৱ-জন্তুক গুজৰাটৰ বণিয়াই চিকিৎসা কৰিব পাৰে তেন্তে বন বিভাগে কিয় নোৱাৰে বুলি প্ৰশ্ন কৰি এই হাতীটোকো আম্বানিয়ে নিব নেকি বুলিও ভিন্নজনে প্ৰশ্ন কৰা পৰিলক্ষিত হৈছে।

## সমন্বয়ৰ জৰিয়তেহে সমাজৰ উপকাৰ সাধন কৰি পাৰিঃ বিটিআৰ'ৰ অধ্যক্ষ কাতিৰাম বড়ো

# নন্দেশ্বৰ দৈমাৰীলৈ অসম সাহিত্য সভাৰ মংগল চণ্ডী ব্ৰহ্ম সমন্বয় বঁটা প্ৰদান

**ই-সংবাদ, ওদালগুৰি ২৩ জানুৱাৰীঃ** অসম সাহিত্য সভাই অসমৰ দুগৰাকী বিশিষ্ট সাহিত্যিক, সমাজকৰ্মী, বিভিন্ন বটাঁৰে বিভূষিত গোৰেশ্বৰ নিবাসী বিশিষ্ট সাহিত্যিক তথা শৰণীয়া কছাৰী সাহিত্য সভাৰ সভাপতি সোনবৰ বৰুৱা আৰু ওদালগুৰি জিলাৰ অম্বাগাঁও নিবাসী সাহিত্য অকাডেমী বঁটা প্ৰাপক তথা বিশিষ্ট সাহিত্যিক নন্দেশ্বৰ দৈমাৰীলৈ আজি মঙ্গল চণ্ডী ব্ৰহ্ম সমন্বয় বঁটা প্ৰদান কৰে। অসম সাহিত্য সভাই ওদালগুৰি জিলা সাহিত্য সভাৰ উদ্যোগত আৰু মঙ্গলচণ্ডী ব্ৰহ্ম ভাষা শিক্ষা গৱেষণা কেন্দ্ৰৰ সহযোগত ওদালগুৰি জিলা সাহিত্য সভাৰ বিদায় সভাপতি গৌৰী শংকৰ দাসৰ সভাপতিত্বত এই বঁটা প্ৰদান কৰা হয়। এই উপলক্ষে দিনৰ ১২.৩০ বজাত মঙ্গল চণ্ডী ব্ৰহ্মৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু পুষ্পাঞ্জলি অৰ্পণ কৰে মঙ্গল চণ্ডী ব্ৰহ্মৰ জীয়াৰী নমিতা ব্ৰহ্ম বড়োৱে। অনুষ্ঠানৰ পূৰ্বে আদৰণি বক্তব্য ৰাখে অসম সাহিত্য সভাৰ মঙ্গলচণ্ডী ব্ৰহ্ম ভাষা সাহিত্য গবেষণা কেন্দ্ৰৰ আহ্বায়ক অখিল কলিতাই। অসম সাহিত্য সভাৰ সম্পাদক প্ৰধান ড° উপেন্দ্ৰজিৎ শৰ্মাই বঁটা প্ৰদান অনুষ্ঠানৰ উদ্দেশ্য ৰাখ্যা কৰে। উদ্দেশ্য ৰাখ্যাৰ পিছতেই ২০২২বৰ্ষৰ মঙ্গলচণ্ডী ব্ৰহ্ম সমন্বয়ক বঁটা বিশিষ্ট সাহিত্যিক তথা শৰণীয়া কছাৰী সাহিত্য সভাৰ কেন্দ্ৰীয় সভাপতি সোনবৰ বৰুৱাক এখন শৰাই, ফুলাম গামোছা, জাপি, চেলেং চাদৰ আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্দ্ধনা জনোৱা হয়। লগতে ২০২৪ বৰ্ষৰ মঙ্গলচণ্ডী ব্ৰহ্ম সমন্বয় বঁটা বড়ো সাহিত্য অকাডেমী বঁটা প্ৰাপক তথা বিশিষ্ট সাহিত্যিক লেখক নন্দেশ্বৰ দৈমাৰীক এখন ফুলাম গামোছা, চেলেং চাদৰ, জাপি আৰু প্ৰশস্তি পত্ৰৰে সম্বৰ্দ্ধনা জনোৱা হয়। উক্ত বঁটা প্ৰদান অনুষ্ঠানত বিটিআৰ পাৰিষদৰ অধ্যক্ষ



কাতিৰাম বড়োৱে উপস্থিত থাকি ভাষণ প্ৰসঙ্গত কয়, "সমন্বয়ৰ জৰিয়তে হে এখন সুস্থ সমাজৰ উপকাৰ সাধন কৰিব পাৰি। নিজৰ মাতৃভাষাৰ দ্বাৰাই সাহিত্য আৰু উন্নয়ন গতিশীল কৰিব পাৰে। ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ বাবে আমি গৌৰৱান্বিত।" সেয়ে নিজৰ মাতৃভাষাৰ প্ৰতি সন্মান জনোৱা উচিত বুলিও তেওঁ লগতে উল্লেখ কৰে। প্ৰথম গৰাকী মঙ্গল চণ্ডী ব্ৰহ্ম সমন্বয়ক বঁটা প্ৰাপক তথা বিশিষ্ট সাহিত্যিক, অসম চৰকাৰৰ অৱসৰী আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰে বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি কয়, "মই ওদালগুৰিত জিলা উপায়ুক্ত হৈ থকাৰ সময়তে ওদালগুৰি জিলা সাহিত্য সভাৰ উত্থান হৈছিল। তাৰ বাবে আজি জিলা সাহিত্য সভাৰ অনুষ্ঠানত উপস্থিত থাকিব পাই আনন্দিত হৈছো। অসমৰ একমাত্ৰ সমন্বয়ৰ ক্ষেত্ৰখন হল ওদালগুৰি জিলা। বিভিন্ন জাতি জনগোষ্ঠীৰ সমন্বয়স্থলী। ওদালগুৰিত অনুষ্ঠিত সাহিত্যৰ অনুষ্ঠানলৈ আহি কথা সাহিত্যিক হোমেন বৰগোহাঞি, প্ৰবীন সাংবাদিক হাইদৰ হুছেইনৰ দৰে বিশিষ্ট লোকে অভিভূত হৈ পৰিছিল। বিভিন্ন জাতি জনগোষ্ঠীৰ ভাষা সাহিত্য অনুবাদ হলেহে অসমীয়া ভাষাৰ উত্তোৰণ হব। বিটিআৰত কোনো লোক যেন দ্বিতীয় শ্ৰেণীৰ লোক বুলি অনুভৱ কৰিব নালাগে তাৰ প্ৰতি বিটিআৰ পাৰিষদে দৃষ্টি দিব লাগিব। তেতিয়াহে সমন্বয়ৰ সাকোঁখন অধিক মজবুত হৈ পৰিব বুলি তেওঁ উল্লেখ কৰে।" বঁটা প্ৰাপকদ্বয় ক্ৰমে শৰণীয়া কছাৰী সাহিত্য সভাৰ সভাপতি সোণবৰ বৰুৱা আৰু সাহিত্য একাডেমী বঁটা প্ৰাপক নন্দেশ্বৰ দৈমাৰীয়ে কয়- প্ৰতিটো জাতি জনগোষ্ঠীৰ ভাপা সাহিত্যৰ আৰু মত বিনিময়ৰ জৰিয়তে সমন্বয় গঢ়ি উঠে। জনগোষ্ঠীৰ সমন্বয়ৰ বাৰ্তা আমি বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিব পাৰিলেহে সমন্বয়ৰ সাৰ্থকতা অক্ষুন্ন থাকিব। ইয়াৰ পিছতেই ওদালগুৰি জিলা সাহিত্য সভাৰ ইতিহাস প্ৰণয়ন সমিতিৰ উদ্যোগত অনুষ্ঠিত হয় ওদালগুৰি জিলাৰ ইতিহাস শীৰ্ষক গ্ৰন্থ উন্মোচনী সভা। ওদালগুৰি জিলা সাহিত্য সভাৰ সভাপতি গৌৰীশংকৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত উক্ত গ্ৰন্থ উন্মোচনী সভাৰ আঁতধৰে ইতিহাস প্ৰণয়ন সমিতিৰ সম্পাদক ড° পবিত্ৰ শৰ্মাই। অসম সাহিত্য সভাৰ সম্পাদক প্ৰধান ড° উপেন্দ্ৰজিৎ শৰ্মাই ওদালগুৰি জিলাৰ ইতিহাস" গ্ৰন্থখনি উন্মোচন কৰি কয়- ওদালগুৰি জিলাৰ ইতিহাস গ্ৰন্থখনে এক ঐতিহাসিক গ্ৰন্থৰূপে পৰিগনিত হব। এনে ইতিহাস সম্বলিত বৃহৎ গ্ৰন্থখনে পঢ়ুৱৈ সমাজক উপকৃত কৰি তুলিব বুলি তেওঁ আশা প্ৰকাশ কৰে। আজিৰ উক্ত অনুষ্ঠান অসম সাহিত্য সভাৰ সাংগঠনিক সম্পাদক আজাদ আলী আহমেদ, মঙলদৈ আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক সৎৰাম ডেকা, অসম সাহিত্য সভাৰ আইন উপদেষ্টা অনন্তৰাম মেধি, ওদালগুৰি সাহিত্য সভাৰ সভাপতি মেঘমালা সূত্ৰধাৰকে ধৰি ভালেমান বিশিষ্টলোক উপস্থিত আছিল। গ্ৰন্থ উন্মোচনীৰ পূৰ্বে অসম সাহিত্য সভাৰ আজীৱন সদস্যা জুৰিমণি ডেকাই এটি বৰগীত পৰিবেশন কৰি আপ্লুত কৰি তোলে। পুৱা ৯ বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে ওদালগুৰি সাহিত্য ফভাৰ সভাপতি মেঘমালা সূত্ৰধাৰে। শেষত অসম সংগীতেৰে সভাৰ সামৰণি পৰে।

# গণশিল্পী ৰাজীৱ শদিয়াৰ পৰিয়াললৈ আৰ্থিক অনুদান

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৩ জানুৱাৰীঃ** ভোগালী বিহুৰ আনন্দ-উল্লাসৰ মাজতে অকালতে মৃত্যুক সাবটি লোৱা গণশিল্পী ৰাজীৱ শদিয়াৰ শোকসন্তপ্ত পৰিয়ালক বুধবাৰে নিশা সাক্ষাৎ কৰি সমবেদনা জনাই শোক প্ৰস্তাৱৰসহ নগদ ৫০ হাজাৰ টকা প্ৰদান কৰে পশ্চিম যোৰহাট অঞ্চলৰ এটা দলে। পশ্চিম যোৰহাট অঞ্চলৰ ভবেন তামুলী, দীপক গগৈ, বিকুল চেতিয়া, ৰাম বৰাৰ লগতে অঞ্চলটোৰ প্ৰায় ২০ জন লোক নিশাই জনতাৰ শিল্পীজনৰ বাসগৃহত উপস্থিত হৈ প্ৰথমে তেওঁৰ প্ৰতিচ্ছবিৰ সন্মুখত ধূপ-চাকি জ্বলাই, পুষ্পাঞ্জলিৰে শ্ৰদ্ধা নিবেদন কৰি আত্মাৰ সদগতি কামনা কৰে। ইয়াৰ পাছতে তেওঁলোকে ৰাজীৱ শদিয়াৰ পত্নীৰ লগতে পৰিয়ালৰ লোকসকলক সাক্ষাৎ কৰি শোক প্ৰস্তাৱ আৰু ধন প্ৰদান কৰে। আগন্তুক দিনত শিল্পীজনৰ পৰিয়ালৰ লোকসকলক সহায় কৰাৰো প্ৰতিশ্ৰুতি দিয়ে। শদিয়াৰ টোপছিঙা গাঁৱৰ পৰা গণশিল্পী ৰাজীৱ শদিয়াই আৰম্ভ কৰিছিল সংগীতৰ যাত্ৰা। দেশ, জাতি, মাটিৰ গীত গাই ৰাইজৰ মৰম বুটলিবলৈ সক্ষম হোৱা জনতাৰ শিল্পীজনৰ মৃত্যুত শোকস্তব্ধ লোকসকল। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে শিল্পীজনৰ আত্মাৰ সদগতি কামনা কৰি যোৱা দেওবাৰে পশ্চিম যোৰহাটৰ মেলেঙীয়াল গাঁও, তিলিকিআম বেজগাঁও, পুৰণিমাটি চাহ বাগিচাৰ লোকসকল আৰু বসন্ত উৎসৱ উদযাপন সমিতিয়ে শিল্পীজনক ৰাজহুৱাকৈ শ্ৰদ্ধাঞ্জলি জনায়। সেই অনুষ্ঠানতে জনতাৰ শিল্পীজনৰ পৰিয়ালটোক আৰ্থিক অনুদান প্ৰদান কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছিল।

# মাতাল যুৱকৰ দাৰ ঘাপত প্ৰাণ গ'ল বৃদ্ধাৰ

**ই-সংবাদ, দলগাঁও, ২৩ জানুৱাৰীঃ** বৃহস্পতিবাৰে পুৱা দলগাঁৱত সংঘটিত হয় এক জঘন্য হত্যাকাণ্ড। প্ৰাপ্ত তথ্য মতে, দলগাঁও থানাৰ অন্তৰ্গত১/২ নং বৰুৱাঝাৰত এজন যুৱকে ৭০ উৰ্ধৰ এগৰাকী বৃদ্ধাক দাৰে মূৰত ঘপিয়াই হত্যা কৰে। হত্যাকাৰী যুৱকজন একে গাৱঁৰে নজৰুল ইছলাম বুলি প্ৰত্যক্ষদৰ্শীয়ে জানিবলৈ দিয়ে। নিহত বৃদ্ধাগৰাকী কমলা ৰেওৱা। পুৱাৰ ভাগত ৰাস্তাত ঘূৰি থকা অৱস্থাত অতৰ্কিতে দাৰে বৃদ্ধাগৰাকীক মূৰত প্ৰচণ্ড আঘাত কৰি পলায়ন কৰে যুৱকজন। ইফালে, ঢলি পৰা বৃদ্ধাক ততাতৈয়াকৈ হাস্পতাললৈ লৈ যোৱা অৱস্থাতে বৃদ্ধাগৰাকীয়ে মৃত্যুক আঁকোৱালি লয়। ঘটনাৰ খবৰ পাই দলগাঁও আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰি হত্যাকাৰী যুৱকজনক আটক কৰে। স্থানীয় লোকে জনোৱা মতে, যুৱকজন দীৰ্ঘদিন ধৰি ভাং, ড্ৰাগছ খাই উদ্ভণ্ডালি কৰি আহিছে। কিছুদিন পূৰ্বেও বেছিমাৰী কেবাজনো লোকক আক্ৰমণ কৰাৰ বাবে ৰাইজে অতিষ্ঠ হৈ যুৱকজনক গছত বান্ধি প্ৰহাৰ কৰাৰ বাতৰি প্ৰকাশ হৈছিল।

## মৃতদেহ লৈ স্থানীয় ৰাইজে সৃষ্টি কৰিলে উত্তপ্ত পৰিস্থিতি

# এটা কুকুৰাৰ বাবেই তিতাবৰত সংঘটিত হত্যাকাণ্ড!

**ই-সংবাদ, তিতাবৰ, ২৩ জানুৱাৰীঃ** উৰুকাৰ নিশা এটা কুকুৰাক কেন্দ্ৰ কৰি তিতাবৰৰ নতুনমাটি গাঁৱত মাৰপিটৰ ঘটনা সংঘটিত হয় আৰু গাঁওখনৰ এজন ব্যক্তি আঘাতপ্ৰাপ্ত হৈ চিকিৎসালয়ত মৃত্যুবৰণ কৰে। এই ঘটনা পোহৰলৈ অহাৰ পাছতে সমগ্ৰ গাঁওখনত পৰিস্থিতি উত্তপ্ত হৈ পৰে। ঘটনাৰ বিৱৰণী মতে, মাঘ বিহুৰ উৰুকাৰ নিশা প্ৰফুল্ল ঘটোৱাৰ (৪২) নামৰ ব্যক্তিজনক একে গাঁওৰে কান্দুৱা গোৱালা নামৰ ব্যক্তিজনে কুকুৰা চুৰি কৰা অৱস্থাত কৰায়ত্ত কৰি মূৰত প্ৰচণ্ড প্ৰহাৰ কৰে। ফলত গুৰুতৰভাৱে আহত ব্যক্তিজনক যোৰহাট মেডিকেল কলেজ হাস্পতালত ভৰ্তি কৰা হয়। কিন্তু আঘাত গুৰুতৰ হোৱাৰ বাবে ডিব্ৰুগড় মেডিকেল কলেজলৈ লোকজনক প্ৰেৰণ কৰা হয়। পৰিয়ালটোৰ পইচাৰ অভাৱৰ বাবে উন্নত চিকিৎসাৰ অভাৱত ব্যক্তিজনৰ যোৱা নিশা মৃত্যু হয়। ইয়াৰ পাছতে গাঁওখনত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। গাঁওখনৰ শতাধিক লোকে মৃতদেহ লৈ অভিযুক্তৰ ঘৰ ঘেৰাও কৰে আৰু অভিযুক্তৰ চোতালতে মৃতদেহ সৎকাৰৰ চেষ্টা চলায়। তিতাবৰ সমজিলাৰ আৰক্ষী বিষয়াৰ লগতে মাধপুৰ আৰক্ষীৰ এক বৃহৎ দল উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰি মৃতকৰ পৰিয়াল তথা ৰাইজক দোষীক শীঘ্ৰে কৰায়ত্ত কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰাত পৰিস্থিতি শান্ত হয়। ইফালে, পলাতক কান্দুৱা গোৱালাক মাধপুৰ আৰক্ষীয়ে কৰায়ত্ত কৰা বুলি জানিব পৰা গৈছে। এই ঘটনাক লৈ গাঁওখনত বৰ্তমানো চেপা উত্তেজনাই বিৰাজ কৰিছে।



প্ৰয়াত শিল্পী ৰাজীৱ শদিয়াৰ ঘৰত অনুসূচিত জাতি ছাত্ৰ সন্থাৰ সঁজাতী দল, বৃহস্পতিবাৰে

# মোৰাঝাৰত কেঁকো সাপ উদ্ধাৰ

**ই-সংবাদ, মোৰাঝাৰ, ২৩ জানুৱাৰীঃ** হোজাইৰ মোৰাঝাৰত আৰক্ষীয়ে এক বৃহৎ অভিযান চলাই কেঁকো সাপসহ এজন যুৱকক কৰায়ত্ত কৰে। মোৰাঝাৰ আৰক্ষীয়ে এক গোপন সূত্ৰৰ পম খেদি মোৰাঝাৰ থানাৰ অন্তৰ্গত ৰোহিনী পথাৰৰ পৰা লিচং তেৰাং নামৰ যুৱকজনক আটক কৰে। কাৰ্বি আংলং জিলাৰ হাওৱাঘাটৰ পৰা যুৱকজনে মোৰাঝাৰ অভিমুখে অহাৰ পথত মোৰাঝাৰ আৰক্ষীয়ে আটক কৰে যুৱকজনক। যুৱকজনে কেঁকো সাপটো হাওৱাঘাটৰ পৰা মোৰাঝাৰত বিক্ৰী কৰিবলৈ আনিছিল বুলি আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে। মোৰাঝাৰ আৰক্ষীয়ে ডবকা আঞ্চলিক বন বিভাগৰ কাৰ্যালয়ত কেঁকো সাপটো চমজাই দিয়ে। উল্লেখ্য যে অঞ্চলটোত দীৰ্ঘদিন ধৰি এনে কাৰ্য সংঘটিত হৈ আহিছে।

# যোৰহাট মালৌপথাৰ জাতীয় বিদ্যালয়ৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৩ জানুৱাৰীঃ** যোৰহাটৰ মালৌপথাৰত ২০০৬ চনৰ ২৩ জানুৱাৰীত প্ৰতিষ্ঠা হোৱা মালৌপথাৰ জাতীয় বিদ্যালয়ৰ ১৯ সংখ্যক প্ৰতিষ্ঠা দিৱস আজি পালন কৰা হয়। এই উদ্দেশ্যে আজি পুৱা পতাকা উত্তোলন কৰে বিদ্যালয়ৰ প্ৰতিষ্ঠাপক শিক্ষয়িত্ৰী তথা বৰ্তমান প্ৰধান শিক্ষয়িত্ৰী জুনু দত্তই। প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ১৯ গছি বন্তি প্ৰজ্বলন কৰে যোৰহাট জিলা জাতীয় বিদ্যালয়ৰ সমন্বয়ৰক্ষী সমিতিৰ সম্পাদক সৌৰভ বৰাই। তদুপৰি নেতাজী সুভাষ চন্দ্ৰ বসুৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰপ্ৰজ্বলন কৰি পুষ্পাঞ্জলি অৰ্পণ কৰে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকলে। সচিব ত্ৰিশূল শইকীয়া, ছাত্ৰ-ছাত্ৰীসকলে জনতাৰ শিল্পী সদ্যপ্ৰয়াত ৰাজীৱ শদিয়াৰ প্ৰতিচ্ছবিৰ সন্মুখত পুষ্পঞ্জলি অৰ্পণ কৰে। তাৰপাছতে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে প্ৰস্তুত কৰা হাতেলিখা আলোচনী তৃতীয় সংখ্যা "প্ৰভাত" উন্মোচন কৰে অভিভাৱক কিৰণ গগৈয়ে। দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীসকলে গীত-মাত প্ৰদৰ্শন কৰে।

# নলবাৰীত আপোচহীন বিপ্লৱী সুভাষ চন্দ্ৰ বসুক স্মৰণ

**ই-সংবাদ, নলবাৰী, ২৩ জানুৱাৰীঃ** স্বাধীনতা আন্দোলনৰ আপোচহীন বিপ্লৱী ধাৰাৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিনিধি নেতাজী সুভাষচন্দ্ৰ বসুৰ ১২৯ সংখ্যক জন্ম দিৱস সমগ্ৰ ৰাজ্যত এ আই ডি এছ অ'ৰ উদ্যোগত যথাযোগ্য মৰ্যাদাৰে পালন কৰা হয়। নলবাৰী জিলাতো ছাত্ৰ সংগঠন এ আই ডি এছ অ' আৰু মহিলা সংগঠন এ আই এম এছ এছৰ যৌথ উদ্যোগত বিভিন্ন কাৰ্যসূচীৰে ২১ জানুৱাৰীৰ পৰা এম এন চি বালিকা মহাবিদ্যালয়ৰ সন্মুখত তিনিদিনীয়াকৈ নেতাজীৰ জন্ম দিৱস পালন কৰা হয়। আজি এম এন চি বালিকা মহাবিদ্যালয়ৰ সন্মুখত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰা হয়। উক্ত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি এ আই ডি এছ অ'ৰ প্ৰাক্তন ৰাজ্যিক কমিটীৰ সভাপতি জিতেন্দ্ৰ চলিহাই নেতাজী সুভাষচন্দ্ৰ বসুৰ প্ৰতিকৃতিত শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। তাৰ পিছত ৰাজ্যিক কমিটীৰ কোষাধ্যক্ষ মুনীন্দ্ৰ দলে আৰু মহিলা সাংস্কৃতিক সংগঠনৰ পক্ষৰ পৰা কামিনী বড়োৱে শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। ইয়াৰ পিছত ৰাজ্যিক কমিটীৰ প্ৰাক্তন সভাপতি জিতেন্দ্ৰ চলিহাই চমু বক্তব্য ৰাখে। কৈঠালকুছি, টিহু আৰু শোলমাৰাত পদ সভা আৰু সাংস্কৃতিক অনুষ্ঠান হয়। পদ সভাসমূহত প্ৰাক্তন সভাপতিগৰাকীয়ে কয় যে, হেজাৰ হেজাৰ বীৰ বীৰাংগনাৰ তেজৰ বিনিময়ত, প্ৰাণৰ বিনিময়ত দেশখন স্বাধীন হ'ল যদিও কংগ্ৰেছ দলৰ চৰকাৰ প্ৰতিষ্ঠা হ'ল যদিও পুঁজিপতি শ্ৰেণীৰ হাতত ক্ষমতা কুক্ষিগত হ'ল। সেয়েহে আজি সংকট সৰ্বব্যাপক। অৰ্থনীতি, সামাজিক, ৰাজনীতি, সাংস্কৃতিক সকলো ক্ষেত্ৰতে সংকটে মাৰাত্মক ৰূপ পৰিগ্ৰহণ কৰিছে। আত্মকেন্দ্ৰিকতা আৰু স্বাৰ্থপৰতাই দেশখন আচ্ছন্ন কৰিবলৈ উদ্যত হৈছে।

# লখিমপুৰত নেহৰু যুৱ কেন্দ্ৰৰ পথ সুৰক্ষা সজাগতা সপ্তাহ কাৰ্যসূচী

**ই-সংবাদ, উত্তৰ লখিমপুৰ, ২৩ জানুৱাৰীঃ** আজি উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত লখিমপুৰ জিলা পৰিবহণ বিভাগৰ কাৰ্যালয় আৰু লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ সহযোগত পথ সুৰক্ষা সজাগতা সপ্তাহৰ কাৰ্যসূচী হিচাপে উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ কাৰ্যালয়ত এখনি সজাগতা সভা অনুষ্ঠিত হৈ যায়। উক্ত সজাগতা সভাৰ কাৰ্যসূচীত উপস্থিত থাকি লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক দ্বীপজান গোহাঁয়ে ৰাইজৰ আগত পথত কেনেদৰে গাড়ী, মটৰ চলাব লাগে সেই বিষয়ে বক্তব্য প্ৰদান কৰে। সভাত লখিমপুৰ জিলা পৰিবহণ বিভাগৰ গৌতম ৰাজখোৱাই সঘনে হৈ থকা দুৰ্ঘটনাৰ কাৰণসমূহৰ বিষয়ে ৰাইজক অৱগত কৰে। কাৰ্যসূচীত অংশগ্ৰহণ কৰি এছিচটেণ্ট এনফৰ্চমেণ্ট ইন্সপেক্টৰ নৰেন বৰঠাকুৰে ৰাইজৰ আগত পথ দুৰ্ঘটনাই বিভিন্ন সময়ত বহু পৰিয়াললৈ কেনেদৰে কাল অমানিশা নমাই আনিছে সেই বিষয়ে ৰাইজক বুজাই কয়। তদুপৰি আজি উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ উদ্যোগত আৰু লখিমপুৰ জিলা পৰিবহণ বিভাগৰ কাৰ্যালয় আৰু লখিমপুৰ বাণিজ্য মহাবিদ্যালয়ৰ এন এছ এছ গোটৰ সহযোগত ৰূপায়ণ কৰা পথ সজাগতা সপ্তাহৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ জিলা যুৱ বিষয়া সুজাতা ভৌমিকে ৰাইজক সজাগ কৰাৰ ক্ষেত্ৰত যুৱ সমাজৰ কৰণীয় আৰু উত্তৰ লখিমপুৰ নেহৰু যুৱ কেন্দ্ৰৰ ৰূপমজ্যোতি চেতিয়াই বাহন চলাওঁতে হেলমেট, ছীটবেল্টৰ প্ৰয়োজনীয়তা সম্পৰ্কে ৰাইজৰ আগত বক্তব্য প্ৰদান কৰে। আনহাতে, আজি উক্ত কাৰ্যসূচীৰ অংশ হিচাপে জিলাখনৰ বিভিন্ন স্থানত সমদল কৰি পথ সুৰক্ষা সজাগতা কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

# মৰিগাঁৱত নেহৰু যুৱ কেন্দ্ৰৰ ৰাষ্ট্ৰীয় পথ সুৰক্ষা সপ্তাহৰ সফল সামৰণি

**ই-সংবাদ, লাহৰীঘাট, ২৩ জানুৱাৰীঃ** ভাৰত চৰকাৰৰ যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ৰ অধীনস্থ ‘মাই ভাৰত’ নেহেৰু যুৱ কেন্দ্ৰ সংগঠনে গোটেই ভাৰতবৰ্ষতে যোৱা ১৭ জানুৱাৰীৰ পৰা ২৩ জানুৱাৰীলৈ আৰম্ভ কৰা ৰাষ্ট্ৰীয় পথ সুৰক্ষা সপ্তাহৰ বিস্তৃত কাৰ্যসূচীৰ অংশ হিচাপে মৰিগাঁও জিলা ‘মাই ভাৰত’-নেহেৰু যুৱ কেন্দ্ৰৰ উদ্যোগত জিলা প্ৰশাসনৰ সহযোগত মৰিগাঁও জিলাৰ বিস্তৃত এলেকা মৰিগাঁও পৌৰসভাৰ এলেকাৰ বিভিন্ন স্থানৰ লগতে মৰিগাঁও জিলাৰ বিভিন্ন উন্নয়ন খণ্ডৰ মায়ং বজাৰ, বুঢ়া-বুঢ়ী, ঝাৰগাঁও, ভকতগাঁও, জাগিৰোড, নেলী, মৈৰাবাৰী, লাহৰীঘাট, দলংঘাট, বাৰপুজীয়া, চৰাইবাহী, বৰভগীয়া, জালুগুটি, ভুৰাগাঁও, বঘৰা, আহঁতগুৰি, তেলাহী আদি বিভিন্ন স্থানত ২৫ (পঁচিশ)গৰাকী যুৱক-যুৱতীয়ে হাতে-হাতে বেনাৰ, প্ৰচাৰ পুস্তিকা আদি লৈ পথচাৰীসকলক, যান-বাহনৰ চালক, পৰিচালক, যাত্ৰীৰ লগতে ৰিক্সাচালক, অট'চালক সকলোকে যান-বাহন আইনৰ সুৰক্ষা, যান-বাহন আইনৰ বিভিন্ন দিশ, পথ সুৰক্ষা, নিয়ন্ত্ৰিত গতিত যান-বাহন চলোৱা, ট্ৰেফিক ছিগনেল মানি চলা, দুচকীয়া বাহনৰ চালক আৰু যাত্ৰীয়ে হেলমেট পৰিধান কৰা, চাৰিচকীয়া বাহনৰ চালক আৰু যাত্ৰীয়ে ছীটবেল ব্যৱহাৰ কৰা, চালকে মাদকদ্ৰব্য ব্যৱহাৰ কৰি গাড়ী নচলোৱা, যান-বাহন চলোৱাৰ সময়ত ম'বাইল ফোন ব্যৱহাৰ নকৰা আদি বিভিন্ন পথ সুৰক্ষাৰ বিষয়ক সচেতনতা সৃষ্টিৰ বাবে আহ্বান জনায়। পথ সুৰক্ষাই জীৱন সুৰক্ষা, যান-বাহনৰ অনিয়ন্ত্ৰিত গতি পৰিহাৰ আদি নীতি সাৱোগত কৰি এখন দুৰ্ঘটনা মুক্ত ৰাজ্য গঢ়াৰ সংকল্প গ্ৰহণ কৰে। সপ্তাহজুৰি অনুষ্ঠিত হোৱা এই কাৰ্যসূচীত সহযোগিতা আগবঢ়োৱাৰ বাবে ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, স্বেচ্ছাসেৱী অনুষ্ঠান সকলোকে নেহেৰু যুৱ কেন্দ্ৰৰ গাণনিক আৰু কাৰ্যসূচী বিষয়া ধনঞ্জয় তালুকদাৰে কৃতজ্ঞতা জ্ঞাপন কৰে।

# খাৰুপেটীয়াত দুৰ্ঘটনাত ই-ৰিক্সাৰ চালকক মৃত্যু



**ই-সংবাদ, খাৰুপেটীয়া, ২৩ জানুৱাৰীঃ** দৰং জিলাৰ খাৰুপেটীয়াত ভয়ংকৰ পথ দুৰ্ঘটনাত নিহত হয় এজন ই-ৰিক্সাৰ চালক। উল্লেখ্য যে আজি খাৰুপেটীয়াৰ নিমতলীত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত তীব্ৰ বেগী AS-01 FC-2432 নম্বৰৰ এখন মালবাহী ট্ৰাকে ৰখাই থোৱা ই-ৰিক্সাক প্ৰচণ্ড জোৰে খুন্দা মাৰে। ফলত থিতাতে নিহত হয় ই-ৰিক্সাৰ চালকজন। নিহত ই-ৰিক্সাৰ চালকজন ধূলা থানাৰ অন্তৰ্গত ৩ নং থেকেৰাবাৰী গাঁৱৰ চুলতান আলী বুলি জানিব পৰা গৈছে। পৰৱৰ্তী সময়ত ঘটনাৰ খবৰ পাই ঘটনাস্থলীত খাৰুপেটীয়া আৰক্ষী উপস্থিত হৈ মৃত ব্যক্তিজনক মৰণোত্তৰ পৰীক্ষাৰ বাবে মঙলদৈ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। ইপিনে, দুৰ্ঘটনাগ্ৰস্ত বাহনৰ লগতে চালকক আটক কৰি থানালৈ লৈ যায় আৰক্ষীয়ে।

# মৰিগাঁৱত আৰক্ষীয়ে জ্বলালে পাঁচ কোটি টকা মূল্যৰ নিচাযুক্ত দ্ৰব্য

**ই-সংবাদ, মৰিগাঁও, ২৩ জানুৱাৰীঃ** মৰিগাঁও আৰক্ষীয়ে বিভিন্ন সময়ত জিলাখনৰ ভিন্ন স্থানৰ পৰা জব্দ কৰা ড্ৰাগছ, গাঞ্জাকে ধৰি বুজন পৰিমাণৰ নিচাযুক্ত সামগ্ৰী আজি বিভাগীয় প্ৰক্ৰিয়াৰ মাজেৰে জ্বলাই দিয়ে। মৰিগাঁও আৰক্ষী থানাৰ অন্তৰ্গত বঘৰাস্থিত আৰক্ষীৰ ফায়াৰিং ৰেঞ্জত আজি জ্বলাই দিয়া সামগ্ৰীসমূহৰ ভিতৰত আছে হেৰোইন ১৯৮১.৮ গ্ৰাম, ব্ৰাউন ছুগাৰ ১৪.৪৪ গ্ৰাম, গাঞ্জা ২৩৮.৩৯৮ কিলোগ্ৰাম, কফ চিৰাপ ২৪৪ বটল আৰু নিচাযুক্ত টেবলেট ৩৩৫ টা। জ্বলাই দিয়া উক্ত নিচাযুক্ত বস্তুবোৰৰ মূল্য হ'ব প্ৰায় ৫,২১,৮৩,০০০ টকা। জিলা ড্ৰাগছ নিষ্কাশন সমিতিৰ সদস্যসকলৰ উপস্থিতিত সম্পাদিত আজিৰ এই দাহন প্ৰক্ৰিয়াৰ সময়ত মৰিগাঁৱৰ আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, অতিৰিক্ত আৰক্ষী অধীক্ষক ক্ৰমে ধ্ৰুৱজ্যোতি নাথ, সমীৰণ বৈশ্য, অতিৰিক্ত জিলা আয়ুক্ত সুলক্ষণা বৰপাত্ৰগোঁহাই উপস্থিত থাকে।

# বকোৰ গান্ধীমৈদানত 'কল্যাণী হস্পিতাল'ৰ প্ৰথম বৰ্ষপূৰ্তি উদযাপন

**ই-সংবাদ, বকো, ২৩ জানুৱাৰীঃ** বকোৰ গান্ধীমৈদানত দক্ষিণ কামৰূপৰ অন্যতম ব্যক্তিগত খণ্ডৰ স্বাস্থ্যকেন্দ্ৰ 'কল্যাণী হস্পিতাল'ৰ বুধবাৰে দিনজোৰা কাৰ্যসূচীৰে প্ৰথম বৰ্ষপূৰ্তি উদযাপন কৰা হয়। বৰ্ষপূৰ্তি উপলক্ষে পুৱা হস্পিতালৰ পৰিচালন সঞ্চালক নেভিল চণ্ডীয়ে পতাকা উত্তোলন কৰাৰ পিছতে বৰ্ষপূৰ্তিৰ থিম ছং মুকলি কৰে হস্পিতালৰ মুখ্য পৰিচালন সঞ্চালিকা ডাঃ অমিয়া ৰাভাৰ মাতৃ কল্যাণী ৰাভাই। ইয়াৰ পিছতে উলিওৱা হয় এটি সজাগতামূলক বাইক ৰেলী। বকোৰ পৰা ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে ছয়গাঁওলৈ আৰু পুনৰাই ছয়গাঁৱৰ পৰা বকো মেডিকেল চ'ক হৈ গান্ধী মৈদানত সামৰণি পৰে এই বাইক ৰেলীৰ। ফ্লেগ অফ কৰি বাইক ৰেলীৰ শুভাৰম্ভ কৰে হস্পিতালৰ মুখ্য পৰিচালন সঞ্চালিকা ডাঃ অমিয়া ৰাভাই। তদুপৰি গান্ধী মৈদানত আয়োজন কৰা হয় এক বিনামূলীয়া স্বাস্থ্য শিৱিৰো। বৰ্ষপূৰ্তি অনুষ্ঠানৰ লগত সংগতি ৰাখি হস্পিতালৰ চিকিৎসকৰ লগতে অৰ্ধশতাধিক আশাকৰ্মী আৰু এম্বুলেন্স চালকক ফুলাম গামোচা আৰু স্মাৰকেৰে সম্ভাষণ জনায় হস্পিতালৰ মুখ্য পৰিচালন সঞ্চালিকা ডাঃ অমিয়া ৰাভাই। হস্পিতালৰ পৰিচালন সঞ্চালক নেভিল চণ্ডীৰ উপস্থিতিত নিজৰ মাতৃৰ নামত স্থাপন কৰা হস্পিতালখনৰ প্ৰথম বৰ্ষপূৰ্তিৰ কেক কাটে মুখ্য সঞ্চালিকা ডাঃ অমিয়া ৰাভাই। বৰ্ষপূৰ্তি উপলক্ষে বকোৰ গান্ধী মৈদানত আয়োজিত স্বাস্থ্য শিৱিৰত দুই শতাধিক পুৰুষ-মহিলা ৰোগীৰ স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে প্ৰদান কৰা হয় বিনামূলীয়া ঔষধো। বৰ্ষপূৰ্তিৰ উদযাপনৰ মুকলি মঞ্চ উদ্বোধন কৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য সুমিত ৰাভাই।অনুষ্ঠানত উপস্থিত থাকি বক্তব্য দাঙি ধৰে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য নগৰমল স্বৰ্গীয়াৰী, বগাই সামাজিক-সাংস্কৃতিক ক্ৰীড়া সংগঠনৰ স্থায়ী সমিতিৰ সভাপতি সংগীত বড়ো, যতীন পাঠককে ধৰি কেবাগৰাকী গণ্য মান্য ব্যক্তিয়ে।

# আই দেৱৰ আঞ্চলিক বাথৌ সমিতিৰ বাৰ্ষিক অধিৱেশনৰ ব্যাপক প্ৰস্তুতি

**ই-সংবাদ, দুমুনিচকী, ২৩ জানুৱাৰীঃ** দৰং জিলাৰ দক্ষিণ-পশ্চিম প্ৰান্তত থকা ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকী কুৰুৱা পথৰ খলিহৈ পথাৰ আৰু কুঁৱৰী গাঁৱৰ বাথৌ মন্দিৰ সমন্বয় ক্ষেত্ৰত খলিহৈ জনজাতি গাঁও উন্নয়ন সমিতিৰ সহযোগত আই দেৱৰ আঞ্চলিক বাথৌ সমিতিৰ ৩৭ সংখ্যক বাৰ্ষিক অধিৱেশনি অহা ১ আৰু ২ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। সেইমৰ্মে অলপতে খলিহৈ বাথৌ মন্দিৰ প্ৰাংগণত অনুষ্ঠিত ৰাজহুৱা সভাত পৰেশ বড়োক সভাপতি, হেমেন বড়োক কাৰ্যকৰী সভাপতি আৰু প্ৰীতম বড়োক সম্পাদক হিচাপে লৈ এখন আদৰণি সমিতি গঠন কৰা হয়। কাৰ্যসূচী অনুসৰি ১ ফেব্ৰুৱাৰীত পুৱা ৮ বজাত অভ্যৰ্থনা সমিতিৰ পতাকা উত্তোলন ,মুখ্যদ্বাৰ উন্মোচন, 'আদি গুৰু মৌনচিন-চি বৌৰাই'ৰ প্ৰতিমূৰ্তি উন্মোচন, অস্থায়ী থান উন্মোচন, দৌৰি-দৌচি জিৰণি কোঠা উন্মোচন, অতিথিশালা উন্মোচন, মূল মঞ্চ উন্মোচন, মাইনাও জিৰণি কোঠা উন্মোচন, বাথৌ শালীত পূজা-অৰ্চনা আদি কাৰ্যসূচীৰ পিছতে দিনৰ ১২ বজাত প্ৰতিনিধি পঞ্জীয়ন। ১ বজাত অনুষ্ঠিত হ'ব ধৰ্মীয় সাংগঠনিক আলোচনা চক্ৰ। আবেলি ৪ বজাৰ পৰা বাথৌ আৰজ আৰম্ভ হ'ব। সন্ধিয়া বন্তি প্ৰজ্বলন আৰু প্ৰতিনিধি সভাৰে অন্ত পৰিব প্ৰথম দিনৰ কাৰ্যসূচী। একেদৰে ২ ফেব্ৰুৱাৰীত পুৱা ৭ বজাত বাথৌ আৰজ আৰম্ভ, ধৰ্মীয় পতাকা উত্তোলন, ধৰ্মালোচনা সভা অনুষ্ঠিত হ'ব। দিনৰ ১২ বজাত স্মৃতিগ্ৰন্থ 'চৌৰাং নাগিৰানানৈ' উন্মোচনৰ পিছতে AAC/ABM সভাপতি পোহৰ চন্দ্ৰ বড়ো পৰিচালনাত অনুষ্ঠিত হ'ব মুকলি সভা। প্ৰাক্তন অধ্যক্ষ বল বাহাদুৰ ছেত্ৰীয়ে উদ্বোধন কৰিবলগীয়া মুকলি সভাত সাংসদ দিলীপ শইকীয়া, স্থানীয় বিধায়ক ড০ পৰমানন্দ ৰাজবংশী, গৱেষক বিজ্ঞানী ড০ সাগৰ ভট্টৰায় সহিতে কেইবাগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। সন্ধিয়া সাংস্কৃতিক অনুষ্ঠান মুকলি কৰিব স্থানীয় যুৱ ব্যৱসায়ী ৰাতুল ভৰালীয়ে। নিশা আমন্ত্ৰিত শিল্পী বিৰাজ মুছাহাৰী গীতৰ শৰাই। ৰাইজৰ সহায় সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে ৩৭ সংখ্যক বাৰ্ষিক অধিৱেশনিৰ অভ্যৰ্থনা সমিতিয়ে।

# ৰঙিয়াৰ ইউক্লিড ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ শুভেচ্ছা জ্ঞাপন সভা

**ই-সংবাদ, ৰঙিয়া, ২৩ জানুৱাৰীঃ** ৰঙিয়াৰ অন্যতম আগশাৰীৰ শিক্ষানুষ্ঠান ইউক্লিড ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ ২য় বাৰ্ষিক শ্ৰেণীৰ শুভেচ্ছা জ্ঞাপন সভা আজি অনুষ্ঠিত কৰা হয়। উক্ত সভাত সংস্কৃতিৰ পূজাৰী পংকজ পল্লৱ শৰ্মাই অংশগ্ৰহণ কৰি উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ হ'ব লগীয়া ছাত্ৰ-ছাত্ৰীসকলক আশীৰ্বাদ প্ৰদান কৰি জীৱনৰ গতিপথ নিৰ্ণায়ক পৰীক্ষাটোত সাহসেৰে অৱতীৰ্ণ হ'ব লৈ শুভেচ্ছা জ্ঞাপন কৰে। নিজৰ ভাষণত পংকজ পল্লৱ শৰ্মাই জীৱনত মানুহ হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ হ'লে শিক্ষাই হ'ল প্ৰথম আৰু একমাত্ৰ ব্যৱস্থা বুলি উল্লেখ কৰে। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে পৰিৱেশন কৰা বিদ্যালয়ৰ শীৰ্ষ গীতেৰে আৰম্ভ হোৱা সভাখনত অংশগ্ৰহণ কৰি পৰিচালন সঞ্চালক ৰেকিব আহমেদে ছাত্ৰ-ছাত্ৰীক উৎসাহিত কৰাৰ লক্ষ্যৰে পুৰস্কাৰ প্ৰদানৰ কথা ঘোষণা কৰে। ছাত্ৰ-ছাত্ৰীৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়েও ৰেকিব আহমেদে ভাষণ প্ৰসংগত প্ৰকাশ কৰে। সভাত আন এগৰাকী বিষয় শিক্ষক চুমন আহমেদে চাকৰিমুখী নহৈ সুনাগৰিক হ'বলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। সভাত সহকাৰী সঞ্চালিকা ৰেহেনা আহমেদ, সমাজসেৱক এম দি গুলাম, বিশিষ্ট অধিবক্তা তথা সাংবাদিক চৈয়দ মোস্তাফা আহমেদ, বিষয় শিক্ষক দেৱজিৎ কলিতা, ফিদ্দুছ খান, দ্বীপ জ্যোতি কলিতা, ভাস্বতী ডেকা, দুষ্মন্ত ৰামচিয়াৰী, সাক্ষী জেইন, দীপামণি ডেকাইও ভাষণ ৰাখে। বিষয় শিক্ষক মোক্তাধী কলিতাই আঁত ধৰা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীয়ে গীত-নৃত্য পৰিৱেশন কৰে।

# খোৱাঘাট স্নানঘাট মন্দিৰত বিশ্ব শান্তিৰ বাবে শক্তি যজ্ঞানুষ্ঠান

**ই-সংবাদ, পৰ্বতঝোৰা, ২৩ জানুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ অন্তৰ্গত খোৱাঘাটৰ কাষেদি বৈ যোৱা টিপকাইৰ দাঁতিতে লাগি থকা ঐতিহিসিক মহামায়া পাহাৰত প্ৰতি বছৰৰ দৰে এইবেলি বিশ্ব শান্তিৰ বাবে ১০ ফেব্ৰুৱাৰীৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ৩০ সংখ্যক যজ্ঞানুষ্ঠানৰ আয়োজন কৰা হৈছে। এই উপলক্ষে প্ৰতি বছৰৰ দৰে এইবেলি অৰ্থাৎ কাৰ্যসূচী অনুসৰি, ৯ ফেব্ৰুৱাৰীত আবেলি ৫ বজাত অধিবাসৰ বিশেষ পূজা অনুষ্ঠিত হ'ব। পিছত বিভিন্ন ঠাইৰ পৰা অহা বিজ্ঞ পুৰোহিতসকলক বৰণ কৰি সম্ভাষণ জনোৱা হ'ব। পিছদিনা, অৰ্থাৎ ১০ ফেব্ৰুৱাৰীত নিৰ্ধাৰিত কাৰ্যসূচী অনুসৰি, পুৱা ৮ বজাত বগৰীবাৰীৰ শ্ৰী শ্ৰী ২৫ হাত কালী মন্দিৰৰ পৰা বাৰেবৰণীয়া ধৰ্মীয় আৰু সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হ'ব। এই শোভাযাত্ৰা ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেদি শ শ ভক্তই ৬ কিঃ মিঃ পদব্ৰজে অতিক্ৰম কৰি স্নানঘাট মন্দিৰৰ যজ্ঞস্থলীত উপস্থিত হ'ব। পিছত ভক্তসকলে কাষতে থকা টিপকাই নদীৰ পৰা কলহৰে পানী তুলি আনি যজ্ঞস্থলীত শক্তিযজ্ঞৰ বাবে জমা কৰিব। পৰৱৰ্তী কাৰ্যসূচী অনুসৰি, ১১.৩০ বজাত বিজ্ঞ ব্ৰাহ্মণ পুৰোহিতে বৈদিক মন্ত্ৰ উচ্চাৰণৰ যোগেদি সূৰ্যৰ ৰশ্মিৰ পৰা অগ্নি আৰোহণ কৰি যজ্ঞ প্ৰজ্জলন কৰিব। লগতে তিনিদিন ধৰি দিনে-ৰাতিয়ে প্ৰজ্বলিত হৈ থকা যজ্ঞৰ শুভাৰম্ভ হ'ব। সিদিনা ১১.৪৫ বজাত মাৰাই পূজা অনুষ্ঠিত হ'ব। পিছৰ কাৰ্যসূচী অনুসৰি, ১১ ফেব্ৰুৱাৰীত পুৱা ৮ বজাৰ পৰা দ্বিতীয় দিনাৰ শক্তি যজ্ঞানুষ্ঠান আৰু বিশ্ব শান্তিৰ বাবে বিশেষ পূজা অনুষ্ঠিত হ'ব। পৰা ৯ বজাৰ পৰা বাথৌ পূজা অনুষ্ঠিত হ'ব। পিছত আবেলি সত্য নাৰায়ণ পূজা অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিয়ে। কাৰ্যসূচী অনুসৰি, শেষৰ দিনা কাৰ্যসূচী অনুসৰি, বিশ্ব শান্তিৰ বাবে যজ্ঞানুষ্ঠান আৰু এক বজাত যজ্ঞৰ পূৰ্ণাহুতি অনুষ্ঠিত হ'ব। এই উপলক্ষে এই শক্তিযজ্ঞ পৰিচালনাৰ বাবে সত্যম দাসক সভাপতি, মানিক চান্দ জৈনক কাৰ্যকৰী সভাপতি, বিজয় কুমাৰ অধিকাৰীক সম্পাদক হিচাপে লৈ এক শাক্তিশালী কমিটী গঠন কৰা হয়। বিশ্বশান্তিৰ বাবে এই শক্তি যজ্ঞানুষ্ঠান অনুষ্ঠিত কৰিবলৈ স্নানঘাট মন্দিৰ পৰিচালনা সমিতিৰ লগতে যজ্ঞ পৰিচালনা সমিতিয়ে সমগ্ৰ ভক্তপ্ৰাণ ৰাইজৰ সহায় আৰু সহযোগিতা কামনা কৰিছে। এই উপলক্ষে বিভিন্ন প্ৰান্তৰ ভক্তপ্ৰাণ ৰাইজে ৯৪৩৫১২৫৫৯৪ আৰু ৯৪৩৫১২৫৫৪৯ নম্বৰত যোগাযোগ কৰিব পাৰে। লগতে এই যজ্ঞত ভক্তপ্ৰাণ ৰাইজে A/C- NO:- 39253317444, IFS -7373 নম্বৰত নিজৰ ইচ্ছা অনুসৰি দান-বৰঙণি দিব পাৰে বুলি জানিবলৈ দিয়ে। উল্লেখ্য যে, চাৰিশ বছৰ পূৰ্বে পৰ্বতঝোৰাৰ ষ্টেটৰ জমিদাৰ হাতিবৰ চৌধুৰীৰ দিনতে মহামায়া পাহাৰত মা মহামায়াৰ আবিৰ্ভাৱ হৈছিল বুলি ৰাইজৰ মাজত প্ৰবাদ আছে। কিন্তু ১৯৯৩ চনত গুৱাহাটীৰ পৰা অহা সাধক প্ৰয়াত অমৰেন্দ্ৰ বৰদলৈৰ উপস্থিতিত স্নানঘাটত দীৰ্ঘেশ্বৰ দেৱীৰ পূজা আৰম্ভ হয়। লগতে ১৯৯৫ চনৰ পৰা সাধক অমৰেন্দ্ৰ বৰদলৈৰ তত্বাবধানত আৰু অঞ্চলটোৰ ভক্তপ্ৰাণ ৰাইজৰ সহযোগত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হয়।

# ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক সঞ্জীৱ নন্দীৰ প্ৰথম মৃত্যু বাৰ্ষিকী, স্মৃতিচাৰণ অনুষ্ঠান

**ই-সংবাদ, ডিব্ৰুগড়, ২৩ জানুৱাৰীঃ** ডিব্ৰুগড়ৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক সঞ্জীৱ নন্দীৰ ২২ জানুৱাৰীত প্ৰথম মৃত্যু বাৰ্ষিকী অনুষ্ঠান অনুষ্ঠিত হৈ যায়। এই উপলক্ষে সাংবাদিকগৰাকীয়ে কাৰ্যনিৰ্বাহ কৰা "দৈনিক যুগশংখ" কাকতৰ উজনি অসমৰ কাৰ্যালয়ৰ সন্মুখত "বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব"ৰ তৰফৰ পৰা শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি বন্তি প্ৰজ্বলন কৰা হয়। ২০২৪ চনৰ এই দিনটোতে হৃদৰোগত আক্ৰান্ত হৈ আকস্মিক মৃত্যুক আঁকোৱালি লৈছিল জ্যেষ্ঠ সাংবাদিক সঞ্জীৱ নন্দীয়ে। প্ৰয়াত সাংবাদিক জনাৰ স্মৃতিত "বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব"ৰ সম্পাদক ৰাতুল গোহাঁইসহ অন্যান্য সাংবাদিকসকলে তেওঁৰ কৰ্মস্থলী কাৰ্যালয়ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি স্মৃতি ৰোমন্থন কৰে। আনহাতে, ডিব্ৰুগড় প্ৰেছ ক্লাবেও শান্তিপাৰাস্থিত সাংবাদিকগৰাকীৰ বাসগৃহত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আয়োজন কৰে। উপস্থিত সকলোৱে জ্যেষ্ঠ সাংবাদিকগৰাকীৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন, মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জনায়। ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সভাপতি মানসজ্যোতি দত্তই আঁত ধৰা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত বিগত এটা বছৰে সঞ্জীৱ নন্দীৰ অবিহনে ডিব্ৰুগড়ৰ সংবাদ ক্ষেত্ৰখনত অভাৱ অনুভৱ কৰাৰ কথা উপস্থিত সাংবাদিকসকলে ব্যক্ত কৰে। অতি অমায়িক আৰু ভদ্ৰ মনৰ ব্যক্তিজনক হেৰুৱাটো ডিব্ৰুগড়ৰ সাংবাদিকসকলৰ বাবে অপূৰণীয় ক্ষতি বুলি উপস্থিত সকলোৱে ব্যক্ত কৰে। সাংবাদিকতাৰ ক্ষেত্ৰতখনত আমৃত্যুলৈকে সততা, নিষ্ঠাৰে কাম কৰি যোৱা সঞ্জীৱ নন্দীৰ স্মৃতি জীয়াই ৰখাৰ বাবে ডিব্ৰুগড় প্ৰেছ ক্লাবে পদক্ষেপ গ্ৰহণ কৰিব বুলিও উল্লেখ কৰে। এগৰাকী সাংস্কৃতিক কৰ্মী হিচাপেও পৰিচিত সঞ্জীৱ নন্দী মৃত্যুৰ সময়লৈকে ডিব্ৰুগড় প্ৰেছ ক্লাবকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠানৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ আছিল। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উপদেষ্টা ললিত শৰ্মা, উপ-সভাপতি দেৱজিত চুতীয়া, অজয় দত্ত, সহকাৰী সম্পাদক মনোজ পাণ্ডে, অভিক চক্ৰৱৰ্তী, জ্যোতিষ কুমাৰ পাতিৰ, ৰাজীৱ দত্ত, জ্যোষ্ঠ সাংবাদিক পৰেশ আইন্দসহ অন্যান্য সাংবাদিক আৰু পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে।

# বাঘমাৰা মধ্যচৰ জনপ্ৰিয় ক্লাবৰ বাৰ্ষিক অধিৱেশনৰ সফল সামৰণি

**ই-সংবাদ, শিমলীতোলা, ২৩ জানুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত ১ নং বাঘমাৰা মধ্যচৰ জনপ্ৰিয় ক্লাবৰ সভাপতি ছফিকুল আলম আৰু সম্পাদক অহেদ আলীৰ তত্বাৱধানত তিনিদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যক্ৰমণিকাৰে আৰম্ভ হোৱা ১৮ সংখ্যক বাৰ্ষিক অধিৱেশন বুধবাৰে অন্ত পৰে। প্ৰথম দিনাৰ কাৰ্যসূচী পতাকা উত্তোলনেৰে আৰম্ভ কৰি প্ৰত্যেক দিনতে বিভিন্ন কাৰ্যসূচী যেনে সমাজ সেৱা, গজল, কোৰাণ পাঠ, আকস্মিক বক্তৃতা, তৰ্ক, কুইজ, সাধাৰণ খেল-ধেমালি, ভেশচন, সাংস্কৃতিক অনুষ্ঠান ইত্যাদি বিভিন্ন প্ৰতিযোগিতামূলক অনুষ্ঠানৰ আয়োজন কৰে। অন্তিম দিনা আবেলি ৩ বজাত জনপ্ৰিয় ক্লাবৰ সভাপতি ছফিকুল আলমৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা মুকলি আৰু বঁটা বিতৰণী সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে লুইতপৰীয়া মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগত মুৰব্বী অধ্যাপক আব্দুল ওৱাহাব চৌধুৰী। ক্লাবৰ উপদেষ্টা ৰফিকুল ইছলামৰ উদ্বোধনী ভাষণেৰে আৰম্ভ কৰা সভাত দলগোমা আঃ কলেজৰ প্ৰৱক্তা আবুশামা আহমেদ, বাঘমাৰা চৰ জুঃ কলেজৰ প্ৰৱক্তা জমসেৰ আলী আহমেদ, আমছুৰ সহঃ সম্পাদক কাবিল উদ্দিন শ্বেখ, দক্ষিণ বৰপেটা জিলা আমছু সভাপতি ৰুহুল আমিন, জলজলী প্ৰেছ ক্লাবৰ সভাপতি ইনামুল হক, সমাজ কল্যাণ পৰিষদৰ সভাপতি ৰফিকুল ইছলাম, বাঘমাৰা চৰ গাঁও পঃ প্ৰাক্তন সভানেত্ৰী কহিনুৰ বেগম, শিক্ষক আবুল হুছেইন, বন্দেজ আলী, বাঘমাৰা সমবায়ৰ প্ৰাঃ সদস্যা জবেদা আহমেদৰ লগতে ভালেসংখ্যক সন্মানীয়, বিশিষ্ট অতিথি উপস্থিত থাকি সামাজিক আৰু শৈক্ষিক দিশত গাম্ভীৰ্যপূৰ্ণ ভাষণ প্ৰদান কৰে। উপস্থিত অতিথিসকলে ভাষণত কয় যে শিক্ষা জাতিৰ মেৰুদণ্ড, শিক্ষা অবিহনে পিছ পৰা অঞ্চলত উন্নয়ন সহজে আশা কৰিব নোৱাৰি। বাল্যবিবাহ সমাজৰ এক ডাঙৰ ব্যাধি, আৰু ইয়াৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ লোৱাৰ বাবেও ভাষণৰ জৰিয়তে ৰাইজক আহ্বান জনায়। শেষত ৰাইজৰ মনোৰঞ্জনৰ বাবে আমন্ত্ৰিত শিল্পী গোষ্ঠীৰ সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰে। উক্ত অনুষ্ঠানটি আনুষ্ঠানিকভাৱে ফিটা কাটি উদ্বোধন কৰে আঃ কাঃ মণ্ডল বিজেপিৰ সম্পাদক জসমত আলীয়ে।

# পৰ্বতঝোৰাৰ কাজিগাঁৱত নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জয়ন্তী উদযাপন

**ই- সংবাদ, পৰ্বতঝোৰা, ২৩ জানুৱাৰীঃ** আজি সমগ্ৰ ৰাজ্যৰ সমান্তৰালকৈ বিটিআৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ সদৌ অসম বাঙালী যুৱ ছাত্ৰ ফেডাৰেচনৰ কাজিগাঁও আঞ্চলিকৰ উদ্যোগত কাজিগাঁও দুৰ্গা মন্দিৰ চৌহদত দিনজোৰা কাৰ্যসূচীৰে নেতাজী সুভাষচন্দ্ৰ বসুৰ ১২৮ সংখ্যক জয়ন্তী উলাহ-মালহেৰে উদযাপন কৰা হয়। এই উপলক্ষে পুৱা ৯ বজাত ফেডাৰেচনৰ পতাকা উত্তোলন কৰে কাজিগাঁও আঞ্চলিকৰ সভাপতিয়ে। স্বাধীনতা আন্দোলনৰ বৰেণ্য নেতা নেতাজী সুভাষ চন্দ্ৰ বসুৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰে পৰ্বতঝোৰা মহকুমাধিপতি দিব্যাজ্যোতি গগৈ আৰু পৰ্বতঝোৰা মহকুমা আৰক্ষী বিষয়া নিৰঞ্জন বৰুৱাই। ইয়াৰ পিছতে স্কুলীয়া ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ সহযোগত কাজিগাঁও যুৱ ছাত্ৰ ফেডাৰেচনে কাজিগাঁও বজাৰ এলেকাত এক শোভাযাত্ৰা উলিয়ায়। পুৱা ১১ বজাৰ পৰা স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত চিত্ৰাংকন, কুইজ, নৃত্য আৰু সংগীত প্ৰতিযোগিতাৰ আয়োজন কৰা হয়।

# নাগ্ৰীজুলিত অচিনাক্ত শিশুৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, তামুলপুৰ, ২৩ জানুৱাৰীঃ** তামুলপুৰ জিলাৰ নাগ্ৰীজুলি আদৰ্শ চিকিৎসালয়ৰ পিছফালৰ এটি নলাত যোৱা ১৯ জানুৱাৰীত উদ্ধাৰ হৈছিল এটি অচিনাক্ত শিশুৰ মৃতদেহ। মৃতদেহটো কোনো লোকে প্ৰত্যক্ষ কৰি চিকিৎসালয় কৰ্তৃপক্ষক অৱগত কৰাত লগে লগে চিকিৎসালয় কৰ্তৃপক্ষই নাগ্ৰীজুলি আৰক্ষী চকীত লিখিতভাৱে বিষয়টো অৱগত কৰে। খবৰ পাই নাগ্ৰীজুলি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া লালচান আলীৰ নেতৃত্বত এটি আৰক্ষীৰ দলে দণ্ডাধীশৰ উপস্থিতিত নাগ্ৰীজুলি আদৰ্শ চিকিৎসালয়লৈ আহি প্ৰায় ছয়মাহ বয়সৰ শিশুটিৰ মৃতদেহ উদ্ধাৰ কৰি নাগ্ৰীজুলি আৰক্ষী চকীলৈ লৈ আনে। পৰৱৰ্তী সময়ত শিশুটিক মৰণোত্তৰ পৰীক্ষাৰ বাবে বাক্সা জিলা সদৰ মুছলপুৰৰ ডও ৰবি বড়ো অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰা হয়। মৰণোত্তৰ পৰীক্ষা সম্পন্ন কৰাৰ পিছত শিশুটিক চিনাক্তকৰণৰ বাবে বৰ্তমান মৰ্গত ৰখা হৈছে। কোনো লোকে শিশুটিৰ চিনাক্তকৰণ কৰিব বিচাৰিলে নাগ্ৰীজুলি আৰক্ষী চকীৰ লগত যোগাযোগ কৰিবলৈ নাগ্ৰীজুলি আৰক্ষীয়ে আহ্বান জনাইছে।

# চামগুৰিত গৰু চোৰক আটক, শূন্যলৈ গুলী আৰক্ষীৰ

**ই-সংবাদ, পুৰণিগুদাম, ২৩ জানুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে আজি পুৱা ভগামুৰ অঞ্চলত চুৰি গৰুৰ বিৰুদ্ধে অভিযান চলাই তিনিটা চুৰি গৰু উদ্ধাৰ কৰাৰ লগতে এজন কুখ্যাত গৰু চোৰক আটক কৰিবলৈ সক্ষম হয়।জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া গৰাকীৰ নেতৃত্বত এটা আৰক্ষী দলে আজি দিনৰ প্ৰায় ১০-৩০ মান বজাত এক গোপন খবৰৰ ভিত্তিত ভগামুৰ অঞ্চলত চুৰি কৰি অনা গৰুৰ বিৰুদ্ধে অভিযান চলায়।পৰৱৰ্তী সময়ত আৰক্ষীৰ দলটোৱে ভগামুৰ অঞ্চলৰ ছাইদুল ইছলামৰ ঘৰৰ পৰা তিনিটা গৰু উদ্ধাৰ কৰাৰ লগতে কুখ্যাত গৰুচোৰ ছাইদুল ইছলামক আটক কৰে। আৰক্ষীৰ দলটোৱে অভিযান চলোৱা উমান পায় কুখ্যাত গৰু চোৰ ছাইদুল ইছলাম পলায়ন কৰিবলৈ চেষ্টা কৰে যদিও আৰক্ষীয়ে শূন্যলৈ গুলি চালনা কৰি কুখ্যাত গৰুচোৰ ছাইদুল ইছলামক আটক কৰে। আনহাতে, গৰুসহ কুখ্যাত গৰু চোৰক আৰক্ষীয়ে আটক কৰি অনাৰ পিছত ভগামুৰ অঞ্চলৰ স্থানীয় একাংশ লোকে গৰু চুৰি কাণ্ডত ব্যৱহাৰ কৰাৰ সন্দেহত এ-এছ- ১২- ভি- ৩৭২৮ নম্বৰৰ বিলাসী গাড়ীখন ভাঙি চুৰমাৰ কৰে বুলি জানিব পৰা গৈছে। আৰক্ষীয়ে আটক কৰা কুখ্যাত গৰুচোৰ জনক আৰু অধিক তথ্যৰ বাবে চামগুৰি আৰক্ষী থানাত জেৰা অব্যাহত ৰাখিছে বুলি জানিব পৰা গৈছে।

# চাবুৱাত নেতাজীৰ জন্মজয়ন্তী পালন অগপৰ, উপস্থিত মন্ত্ৰী অতুল বৰা




**ই সংবাদ, চাবুৱা-লাহোৱাল, ২৩ জানুৱাৰীঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে ডিব্ৰুগড় জিলাৰ চাবুৱাতো আজি অসমৰ আঞ্চলিক দল অসম গণ পৰিষদে নেতাজী সুভাষ চন্দ্ৰ বসুৰ ১২৮ সংখ্যক জন্মজয়ন্তী পালন কৰে। অগপৰ চাবুৱা নগৰ সমিতিৰ উদ্যোগত চাবুৱা-লাহোৱাল সমষ্টিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত নেতাজীৰ ১২৮ সংখ্যক জন্মজয়ন্তী আড়ম্বৰপূৰ্ণ কাৰ্যসূচীৰে পালন কৰা হয়। পুৱাই নেতাজীৰ প্ৰতিচ্ছবিত মাল্যৰ্পণ কৰা হয়। আবেলিৰ অনুষ্ঠিত মুকলি সভাত অগপৰ সভাপতি তথা কৃষিমন্ত্ৰী অতুল বৰা, চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱা উপস্থিত থাকে। মুকলি সভাত অতিথি হিচাপে উপস্থিত থাকি কৃষিমন্ত্ৰী অতুল বৰাই কংগ্ৰেছক তীব্ৰ সমালোচনা কৰে। স্বাধীনতাৰ পিছৰে পৰা কংগ্ৰেছ দল শাসনত আছিল। দেশৰ মুক্তি যোদ্ধাৰ অন্যতম অগ্ৰদূতগৰাকীক কংগ্ৰেছে যেনেদৰে সন্মান জনাব লাগিছিল তেনেকৈ সন্মান জনোৱা পৰিলক্ষিত নহ'ল বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰে। মন্ত্ৰী বৰাই আৰু কয় যে ১২৮ সংখ্যক জন্ম দিনটোত নেতাজীক আন্তৰিক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো। নেতাজীৰ পুণ্য আত্মাই চিৰশান্তি লাভ কৰাৰ কামনা কৰিছো। নেতাজী য'তে আছে তাতেই শান্তিৰে থাকক। নেতাজীৰ ত্যাগে নতুন প্ৰজন্মক উদ্বুদ্ধ কৰি আহিছে আৰু উদ্বুদ্ধ কৰি যাব। নৰেন্দ্ৰ মোদীক প্ৰশংসা কৰি বৰাই ২০২১ চনৰ পৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নিৰ্দেশত পৰাক্ৰম দিৱস হিচাপে পালন কৰি গৈ আহিছে বুলিও কয়। ইপিনে মন্ত্ৰী অতুল বৰাই আজি ডিব্ৰুগড়ত আন কেইবাটাও কাৰ্যসূচীত অংশ গ্ৰহণ কৰে। ডিব্ৰুগড়ৰ নিজ-লাহোৱালত উদ্যমী মহিলা ৰাস্না তুলচিয়ানৰ 'প্লেণ্টছ এন পেটেলছ' নাৰ্ছাৰী পৰিদৰ্শন কৰে। ১৯ বিঘা ভূমিত আৰম্ভ কৰা নাৰ্ছাৰীত এহেজাৰৰো অধিক প্ৰজাতিৰ ফুল, ইণ্ডোৰ প্লাণ্ট উপলব্ধ আছে। নাৰ্ছাৰীখনৰপৰা মাহিলি ৫০ হাজাৰ টকা আয় কৰে। মন্ত্ৰী বৰাই কয় যে নাৰ্ছাৰীখনত বৰ্তমান ১৫জন ব্যক্তিয়ে কৰ্মসংস্থাপন লাভ কৰিবলৈ সক্ষম হৈছে। আত্মনিৰ্ভৰ অসম নিৰ্মাণৰ সেনানী স্বৰূপ তুলচিয়ানৰ এই যাত্ৰাৰ অধিক সফলতা আন্তৰিকতাৰে কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰিছো। অনাগত দিনতো কৃষি বিভাগৰ তৰফৰপৰা সম্ভৱপৰ সকলো সহায়-সহযোগিতা আগবঢ়োৱাৰ আশ্বাস দিলো। আনহাতে, ডিব্ৰুগড়ত জিলাখনৰ আবকাৰী বিভাগৰ অধীক্ষক, সহকাৰী অধীক্ষক আৰু পৰিদৰ্শকৰ সৈতে বৈঠকত মিলিত হয়। জিলাখনত অবৈধ সুৰাৰ প্ৰচলন ৰোধৰ বাবে আবকাৰী বিভাগে অব্যাহত ৰখা পদক্ষেপৰ বুজ লৈ কঠোৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশনা দিয়ে। মন্ত্ৰীগৰাকীক সংগ দিয়ে জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনীল ৰাজকোঁৱৰ, কেন্দ্ৰীয় অগপ সাধাৰণ সম্পাদক জিতুমণি মৰাণ, উপ-সভাপতি প্ৰতুল সোণোৱালে।

# মেল'ডি নাট্যগোষ্ঠীৰ প্ৰতিষ্ঠা দিৱস সম্পন্ন

**ই-সংবাদ, বেবেজীয়া, ২৩ জানুৱাৰীঃ** অসমৰ নাট্য জগতৰ এটি চিনাকি নাম হ'ল মেল'ডি নাট্যগোষ্ঠী। বিশিষ্ট নাট্যকৰ্মী ধ্ৰুৱজ্যোতি বৰাৰ ঐকান্তিক প্ৰচেষ্টাত ২০০১ চনত জন্মলাভ কৰা এই নাট্যগোষ্ঠীটোৱে ইতিমধ্যে সগৌৰৱে ২৪ টি বছৰ গৰকিবলৈ সক্ষম হৈছে। সেয়ে নাট্যগোষ্ঠীটোৰ ২৪ সংখ্যক প্ৰতিষ্ঠা দিৱসটি মঙলবাৰে নগাঁৱৰ বেবেজীয়াৰ সমীপৰ গেদাৰবড়ি নিবাসী উদ্যমী সাংস্কৃতিক কৰ্মী দৰ্শন মহন্তৰ বাসভৱনত বেছ ওলহ-মালহেৰে উদযাপন কৰা হয়। গীত-মাতৰ অপূৰ্ব সংমিশ্ৰণেৰে সন্ধিয়া সাত বজাৰ পৰা আৰম্ভ হোৱা প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীৰ বন্তি প্ৰজ্বলন আৰু মংগলাচৰণেৰে আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে বিশিষ্ট সংগীত শিল্পী ৰঞ্জন বেজবৰুৱাই। লগতে এটি বৰগীত পৰিৱেশন কৰে উদীয়মান শিল্পী সুগন্ধা গোস্বামীয়ে। ইয়াৰ পিছতে মেল'ডি নাট্যগোষ্ঠীৰ অন্যতম সক্ৰিয় সদস্য তথা সাংস্কৃতিক কৰ্মী দৰ্শন মহন্তৰ জন্মদিন উপলক্ষে ব্যতিক্ৰমীৰূপত আয়তীৰ উৰুলি আৰু ৰঞ্জিত শইকীয়াৰ দ্বাৰা ঘোষা পৰিৱেশনেৰে কেক কটাৰ লগতে উপস্থিত সকলোৱে জন্মদিনৰ শুভেচ্ছা জনায়। বিশিষ্ট কবি সঞ্জীৱ সাগৰ চৌধুৰী আৰু নাট্যকাৰ-পৰিচালক ধ্ৰুৱজ্যোতি বৰাই যুটীয়াভাৱে আঁত ধৰা গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত অসমীয়া সত্ৰীয়া কৃষ্টি-সংস্কৃতিৰ সাধক ৰুবুল কুমাৰ মহন্ত আৰু সংগীত পৰিচালক দীপাংক শইকীয়া উপস্থিত থাকি অসমীয়া কলা-সংস্কৃতিৰ বিষয়ে চমু বক্তব্য প্ৰদান কৰে। মেল'ডি নাট্যগোষ্ঠীৰ অভিনেতা-অভিনেত্ৰীসকলে সদ্য প্ৰদৰ্শিত 'চাকোলা-সোণাইপৰীয়া এক কিংবদন্তি' নামৰ নাটকখনৰ সংলাপ আওৰাই সকলোকে নাট্যৰসৰ সোৱাদ দিয়া মনোগ্ৰাহী অনুষ্ঠানত ৰঞ্জন বেজবৰুৱা, দীপাংক গিৰি গোস্বামী, জিতু শ্ৰাৱন, কুমাৰ কিশোৰ, মনদ্বীপ মহন্ত, ৰঞ্জন বৰুৱা, কনমানী অয়ন মহন্ত, আয়ুস্মান গোস্বামীকে ধৰি কেইবাগৰাকী ন-পুৰণি শিল্পীয়ে সুমধুৰ কণ্ঠৰে গীত গাই হিমসনা শীতৰ নিশাটি উজ্বলাই তোলে। অনুষ্ঠানৰ মাজতে নাট্যকাৰ-পৰিচালক ধ্ৰুৱজ্যোতি বৰাই মেল'ডিয়ে অনাগত দিনত মঞ্চস্থ কৰিবলগীয়া ব্যতিক্ৰমী স্বাদৰ দুখন নাটকৰ বিষয়ে অৱগত কৰে।

# কোকৰাঝাৰত ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ উপলক্ষে সজাগতা অভিযান

**ই-সংবাদ, কোকৰাঝাৰ, ২৩ জানুৱাৰীঃ** ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ উপলক্ষে কোকৰাঝাৰত আজি ডিস্কোভাৰী নডেল এনজিঅ'ৰ উদ্যোগত আৰু জিলা পৰিবহন কাৰ্যালয় আৰু জিলা পথ সুৰক্ষা কমিটিৰ সহযোগত ব্যতিক্ৰমী সজাগতা অভিযান অনুষ্ঠিত কৰা হয়। এই উপলক্ষে কোকৰাঝাৰ সদৰ চহৰত হেলমেট নিপিন্ধা, চীটবেল্ট পৰিধান নকৰা চালক-যাত্ৰীসকলক ফাইনৰ সলনি সজাগতা কৰাৰ লক্ষ্যৰে গামোচা, গছপুলি, ফুলৰ থোপা দি তেওঁলোকে যে নিয়ম ভংগ কৰিছে সেয়া সোঁৱৰাই দিয়া হয়। তদুপৰি নিয়ম ভংগ কৰা চালকসকলক প্ৰদান কৰা গছপুলি ভালদৰে প্ৰতিপালন কৰিবলৈ উপদেশ দি সেয়া এমাহ পিছত পৰ্যবেক্ষণ




কৰিবলৈ যোৱা হ'ব বুলি সোঁৱৰাই দিয়ে। কোকৰাঝাৰ সদৰ চহৰত আজি অনুষ্ঠিত হোৱা উক্ত ব্যতিক্ৰমী সজাগতা অভিযানত জিলা পৰিবহণ বিষয়া ধজেন বসুমতাৰী, ডিস্কোভাৰী নডেল এনজিঅ'ৰ উপ-সভাপতি হৰিশ্বৰ ব্ৰহ্ম, ট্ৰেফিক বিভাগৰ বিষয়া-কনিষ্টবল উপস্থিত থাকে। ইপিনে উক্ত অনুষ্ঠানৰ পিছতে জিলা পৰিবহন বিষয়া ধজেন বসুমতাৰী আৰু ডিস্কোভাৰী নডেল এনজিঅ'ৰ উপ -সভাপতি হৰিশ্বৰ ব্ৰহ্মাই কয় যে যান-বাহন দুৰ্ঘটনাত পতিত হৈ বহুলোকে অকাল মৃত্যুক সাৱটি লৈছে। কোনো চালকে যাতে মদ্যপান কৰি, চীলবেল্ট পৰিধান নকৰাকৈ গাড়ী নচলায়। নিজৰ সুৰক্ষা আৰু পথচাৰীৰ সুৰক্ষাৰ কথা সদায়েই মনত ৰাখিব লাগিব বুলি মন্তব্য কৰি জিলা পৰিবহন বিষয়া ধজেন বসুমতাৰীয়ে ডিস্কোভাৰী নডেল এনজিঅ'ৰ উদ্যোগক প্ৰশংসা কৰে। আজি নিয়ম ভংগ কৰা চালকসকলক অতি মৰমেৰে বুজোৱা হৈছে আৰু তেওঁলোকে কৰা ভুলৰ চিনস্বৰূপে গছপুলি, ফুলৰ থোপা, গামোচা দিয়া হৈছে বুলি সদৰি কৰি চালকসকলক গাড়ী চলাওঁতে নিয়ম ভংগ নকৰিবলৈ আহ্বান জনাইছে।

# আজ্ঞাঠুৰি গণেশ মন্দিৰ সমীপৰ লাচিতপুৰত ভয়ানক পথ দুৰ্ঘটনা, থিতাতে নিহত এগৰাকী মহিলা

**ই-সংবাদ, গুৱালকুছি, ২৩ জানুৱাৰীঃ** কামৰূপ জিলাৰ আজ্ঞাঠুৰি গণেশ মন্দিৰৰ সমীপৰ লাচিতপুৰত হাজো-গুৱাহাটী লোক নিৰ্মাণ বিভাগৰ পথত যোৱা নিশা সংঘটিত হোৱা এক ভয়ানক পথ দুৰ্ঘটনাত এগৰাকী মহিলা থিতাতে নিহত হোৱা ঘটনাই পছৰীয়া অঞ্চলত শোঁকৰ ছাঁ পেলায়। প্ৰাপ্ত তথ্য মতে, আজ্ঞাঠুৰি গণেশ মন্দিৰৰ সমীপৱৰ্তী লাচিতপুৰত নিশা প্ৰায় ৮ মান বজাত হাজো-গুৱাহাটী পথৰে আমিনগাঁও দিশৰ পৰা দদৰা অভিমুখে গৈ থকা অৱস্থাত AS-01 DG-9764 নম্বৰৰ স্কুটীখনক তীব্ৰবেগী AS-01 EA-0387 নম্বৰৰ ছুইফট্ বাহনখনে মহটিয়াই এডাল গছত খুন্দা মাৰে। ফলত দুৰ্ঘটনাটোত স্কুটী আৰোহী কামৰূপৰ পছৰীয়াৰ ৰীমা দাস থিতাতে নিহত হোৱাৰ উপৰি ছুইফট্ বাহনৰ দুই আৰোহী ক্ৰমে উত্তৰ গুৱাহাটী মধ্যমখণ্ডৰ ধৰ্মেন্দ্ৰ মাহাতো আৰু ঘোঁৱামাৰাৰ সুৰজ বনিয়া গুৰুতৰভাৱে আহত হয়। ঘটনাস্থলীত আমিনগাঁও যান-বাহন আৰক্ষী উপস্থিত হৈ আহতসকলক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে, অত্যধিক সুৰাপানৰ ফলতেই দুৰ্ঘটনা সংঘটিত হোৱা বুলি অভিযোগ কৰে প্ৰত্যক্ষদৰ্শীয়ে। উল্লেখ্য যে অঞ্চলটোত প্ৰায়েই দুৰ্ঘটনা সংঘটিত হৈ আহিছে।

# ছমৰীয়া উন্নয়ন খণ্ডত পৰ্যালোচনা সভাত পঞ্চায়ত কৰ্মচাৰীক সকীয়নি জিলা আয়ুক্তৰ

**ই-সংবাদ, নগৰবেৰা, ২৩ জানুৱাৰীঃ** গ্ৰামোন্নয়নৰ কাম-কাজৰ ৰাজ্যিক পৰ্যায়ৰ পৰ্যালোচনা সভাত কামৰূপ জিলাৰ কেইবাখন উন্নয়ন খণ্ডৰ লগতে ছমৰীয়া উন্নয়ন খণ্ডৰ অগ্ৰগতি অত্যন্ত পুতৌজনক হোৱাত জিলা আয়ুক্ত আৰু জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াই আজি উন্নয়ন খণ্ডৰ কাৰ্যালয়ত এখন সভাত মিলিত হয়। ছমৰীয়া উন্নয়ন খণ্ডৰ অন্তৰ্গত ১৫ খন গাঁও পঞ্চায়তৰ অধিকাংশ গাঁও পঞ্চায়তে গ্ৰামোন্নয়নৰ কাম-কাজৰ অগ্ৰগতি অতিকৈ পুতৌজনক। ইয়াৰ ভিতৰত বৰুৱা, ৰাংগাপানী, টুপামাৰী, হেকৰা-যোগীপাৰা, মাহাতলী, বগুৰিগুৰী, ভখুৰাদিয়া, কিশমত কাঠমী, জামলাই-কল্যাণপুৰ, সোণতলী চৌধুৰী পাম গাঁও পঞ্চায়তৰ সকলোবোৰ আঁচনিৰ অগ্ৰগতি অত্যন্ত পুতৌজনক। গ্ৰামোন্নয়নৰ অধীনত ৰূপায়ণ কৰা অন্যান্য আঁচনিৰ লগতে এম জি এনৰেগা, প্ৰধানমন্ত্ৰী আৱাস যোজনা, কৃষি বান্ধৰ কামৰ অগ্ৰগতি অতিকৈ বেয়া। উন্নয়ন খণ্ডৰ অন্তৰ্গত অধিকাংশ গাঁও পঞ্চায়তত এম জি এনৰেগা, প্ৰধানমন্ত্ৰী আৱাস যোজনা আদি আঁচনিৰ ধন হিতাধিকাৰীক প্ৰদানৰ নামত চূড়ান্ত অৱহেলা কৰাৰ বাবেই ৰাজ্যৰ ভিতৰতে আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত বহু পিছপৰি থাকিব লগীয়া হৈছে ছমৰীয়া উন্নয়ন খণ্ড। পৰ্যালোচনা সভাত বৰুৱা গাঁও পঞ্চায়তৰ সচিব সুব্ৰত বৈশ্য, জি পি চি ওৱাহাব আলী, জি আৰ এছ জফল হক, ৰাংগাপানী গাঁও পঞ্চায়তৰ সচিব ফুলচান আলী, জি আৰ এছ ওৱাছিম আলী, জি পি ছি নাছিৰুল হক, টুপামাৰী পঞ্চায়তৰ সচিব সংগীতা দাস, জি আৰ এছ নুৰুদ্দিন আলী, জি পি ছি ছফিকুল ইছলাম, হেকৰা-যোগীপাৰা পঞ্চায়তৰ সচিব মহিদুল ইছলাম, জি পি ছি ছেলিম আহমেদ, জি আৰ এছ প্ৰদীপ কলিতা, সোণতলী-চৌধুৰী পাম পঞ্চায়তৰ সচিব জাহাংগীৰ হুছেইন, ৰংগেশ্বৰী পঞ্চায়তৰ সচিব ৰেশ্মি বৰুৱাক তীব্ৰ ককৰ্থনা কৰাৰ লগতে সকীয়নি প্ৰদান কৰে। তদুপৰি মাহাতলী পঞ্চায়তৰ সচিব ছিকান্দাৰ আলী, জি পি ছি আফজালুৰ ৰহমান, জি আৰ এছ আইনাল হক, বগুৰিগুৰী পঞ্চায়তৰ সচিব সুখৰাম দাস, জি আৰ এছ শ্বাহজাহান আলী, জি পি ছি নিগম মণ্ডল কিশমত কাঠমী গাঁও পঞ্চায়তৰ সচিব মধুস্মিতা কলিতা, জি আৰ এছ আইনাল হক, জি পি ছি জেছমিনা বেগম আৰু জামলাই কল্যাণপুৰ গাঁও পঞ্চায়তৰ সচিব ৰেশ্মি বৰুৱা, জি আৰ এছ আফজালুৰ ৰহমান আৰু জি পি ছি আমিন ছফিউৰ ৰহমানৰ ৰহমানৰ কাম-কাজত তীব্ৰ অসন্তুষ্টি ব্যক্ত কৰি উল্লিখিত আটাইকেইখন গাঁও পঞ্চায়তৰ সচিব, জি পি চি, জি আৰ এছসকলক ককৰ্থনা কৰে। পৰ্যালোচনা সভাত গাঁও পঞ্চায়তসমূহত চৰকাৰে ৰূপায়ণ কৰা আঁচনিসমূহৰ ওপৰত পঞ্চায়ত কৰ্মচাৰীসকলৰ সম্যক জ্ঞান নথকাত ক্ষোভ ব্যক্ত কৰে জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ, মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামীৰ লগতে সহকাৰী মুখ্য কাৰ্যবাহী বিষয়াই। ছমৰীয়া উন্নয়ন খণ্ডত গ্ৰামোন্নয়নৰ প্ৰতিখন আঁচনিৰ অগ্ৰগতি অহা ৭ দিনৰ ভিতৰত সন্তোষজনক নহ'লে গাঁও পঞ্চায়তৰ প্ৰতিজন কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি সকীয়াই দিয়ে জিলা আয়ুক্তগৰাকীয়ে। পৰ্যালোচনা সভাত জিলা আয়ুক্ত আৰু মুখ্য কাৰ্যবাহী বিষয়াই কয় যে চাকৰি কৰাৰ মন আছে যদি চৰকাৰে দিয়া নিৰ্দেশানুসৰি উন্নয়নমূলক কাম-কাজসমূহ সময় মতে ৰূপায়ণ কৰক। পৰ্যালোচনা সভাত বৰুৱা, ৰংগেশ্বৰী আৰু সোণতলী চৌধুৰী পাম গাঁও পঞ্চায়তৰ কাম-কাজৰ অগ্ৰগতি অধিক বেয়া হোৱা বাবে উক্ত পঞ্চায়ত তিনিখনৰ সচিব সুব্ৰত বৈশ্য, ৰশ্মি বৰুৱা আৰু জাহাংগীৰ হুছেইনৰ বিৰুদ্ধে কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিবলৈ নিৰ্দেশ দিয়ে জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামীক। ইপিনে, ছমৰীয়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া পল্লৱী দাসে কয় যে, দীৰ্ঘদিন উন্নয়ন খণ্ডত স্থায়ী খণ্ড উন্নয়ন বিষয়া নথকা আৰু সঘনাই বিষয়াক বদলিকৰণ কৰাৰ বাবেই উন্নয়ন খণ্ডৰ উন্নয়নমূলক কাম-কাজ কিছু পৰিমাণে লেহেমীয়া হৈছে। শীঘ্ৰে কাম-কাজৰ অগ্ৰগতি সন্তোষজনক কৰাৰ প্ৰয়াস কৰিব বুলি ব্যক্ত কৰে নৱনিযুক্ত খণ্ড উন্নয়ন বিষয়া পল্লৱী দাসে। উল্লেখ্য যে, পৰ্যালোচনা সভাৰ পূৰ্বে জিলা আয়ুক্তগৰাকীয়ে বিমলা প্ৰসাদ চলিহা মহাবিদ্যালয়, ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়, নগৰবেৰা ডি বি আৰ পি পাৰঘাটৰ জৰাজীৰ্ণ দলংখন প্ৰত্যক্ষ কৰি শীঘ্ৰে অঞ্চলটোৰ যাতায়াত ব্যৱস্থাৰ উন্নতি কৰা হ'ব বুলি আশ্বাস দিয়ে। আনহাতে, জিলা আয়ুক্তগৰাকীৰ প্ৰতিটো কাৰ্যসূচীত সংগ দিয়ে নগৰবেৰা ৰাজহ চক্ৰ বিষয়া উৎপল কুমাৰ ডেকাই। আয়ুক্তগৰাকীৰ পদক্ষেপক শলাগ লৈছে একাংশ স্থানীয় ৰাইজে।

# বালাজানৰ মৰেল পুলিচিঙৰ অভিযুক্তক গ্ৰেপ্তাৰৰ দাবীত প্ৰতিবাদ

**ই-সংবাদ, গোলকগঞ্জ, ২৩ জানুৱাৰীঃ** ধুবুৰী জিলাৰ বালাজান আৰক্ষী চকীৰ অন্তৰ্গত বালাজান প্ৰথম খণ্ড গাঁৱত যোৱা বিছ জানুৱাৰীৰ নিশা সংঘটিত মৰেল পুলিচিঙৰ ঘটনাত জড়িত অভিযুক্তক গ্ৰেপ্তাৰৰ দাবীত আজি শতাধিক পুৰুষ-মহিলাই সমদল কৰি আৰক্ষী চকী ঘেৰাও কৰাৰ চেষ্টা চলোৱাক লৈ তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। জানিব পৰা মতে, চাপৰ বালাজানৰ সপিয়ৰ ৰহমান নামৰ ই-ৰিক্সা চালকজন নিশা আঠ বজাত গৌৰীপুৰত যাত্ৰী নমাই থৈ ঘৰলৈ আহি আছিল। হঠাৎ তেওঁৰ শৌচ লগাত বালাজান প্ৰথম খণ্ড গাঁৱৰ এখন জংঘলত শৌচ কৰিবলৈ সোমায়। জংঘলৰ কাষতে থকা তৈয়ব আলীৰ পৰিয়ালে চোৰৰ সন্দেহত লোকজনক আটক কৰে। ভালকৈ সোধা-পোছা নকৰি লোকজনক চোৰ বুলি সন্দেহ কৰি তৈয়ব আলী, ভাতৃ আয়ুব আলী আৰু তেওঁলোকৰ পত্নী, বোৱাৰী, ভগ্নী সকলোৱে মিলি গছত বান্ধি লৈ চৰ-ভুকু শোধোৱাৰ লগতে লাঠীৰে নিৰ্মমভাৱে প্ৰহাৰ কৰে। লোকজনৰ মৰণকাতৰ চিঞৰ শুনি ওচৰ চুবুৰীয়াই বালাজান আৰক্ষী চকীত খবৰ দিয়ে। আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ লোকজনক সংকটজনক অৱস্থাত উদ্ধাৰ কৰি ততালিকে ধুবুৰী চিকিসা মহাবিদ্যালয় হাস্পাতালত প্ৰেৰণ কৰে। বৰ্তমানো লোকজনৰ অৱস্থা গুৰুতৰ হৈ আছে। ঘটনাটোক লৈ অঞ্চলটোত অব্যাহত আছে প্ৰতিক্ৰিয়া।



# ৰবীন্দ্ৰ ভৱনত স্বাধীনতাৰ চোলা

■ প্ৰাঞ্জল এ. শৰ্মা

**কাহিনীটোৰ পটভূমি** ১৯৯৮ চন মানৰ হ'ব। ভাৰতে স্বাধীনতা লাভ কৰাৰ ৫০ বছৰ হৈছে। কৈশোৰতেই স্বাধীনতা সংগ্ৰামৰ সৈতে জৰিত হৈ পৰা আদৰ্শবাদী শিক্ষক বিষ্ণু শৰ্মাৰ বয়স এতিয়া প্ৰায় ৭৫। মানুহজনে জীৱনটোত আপোচ নকৰিলে। ওৰেটো জীৱন দাৰিদ্ৰৰ সৈতেই যুঁজি যুঁজি চাৰিজনী ছোৱালীক বিয়া দিলে। সৰুজনী ছোৱালীও এতিয়া গাভৰু। কেৱল আৰু কেৱল আকাল,অনাটনৰ মাজতেই জীৱনটো অতিবাহিত কৰা, জীৱনত কেতিয়াও কোনো অনৈতিক সুযোগ সুবিধাৰ পিছেত নদৌৰা বিষ্ণু শৰ্মাই অৱশেষত এটা স্বীকৃতি,এটা ৰাজহুৱা সন্মান, মৰ্যাদাৰে হাতলৈ আহিব খোজা কিছু ধন লাভৰ বাট ওলাল। গাঁওখনৰ যুৱকসকলে আয়োজন কৰা স্বাধীনতা দিৱসত তেওঁক স্বাধীনতা সংগ্ৰামী হিচাপে সন্মান জনাব। মন্ত্ৰীয়ে তেওঁক গামোচা পিন্ধাব আৰু টকা দুহেজাৰ দিব।

কি যে ভাল লগা কথা! বিষ্ণু শৰ্মাৰ উলাহৰ অন্ত নাই। ৰোমন্থন কৰিছে বৰদেউতাকৰ সৈতে সংগ্ৰামত জঁপিয়াই পৰাৰ মুহূৰ্তবোৰ। ভাষণ আওৰাইছে। কন্যা ৰাধাক গাবলৈ শিকাইছে 'মোৰে ভাৰতৰে, মোৰে সপোনৰে, চিৰ সুন্দৰ সংস্কৃতি...'

কিন্তু উৰুখা পজাটোত এজাক বৰষুণতেই পানী পৰে। শেতেলিখন ইফালে সিফালে টানি ফুৰিব লাগে। পাকঘৰৰ মজিয়াত বোকা উঠে। কিতাপৰ আলমিৰাটোও উৰলি গৈছে। দোকানতো ২৮০০ বাকী। ইফালে ঘৰত চেনি,চাহপাত, দাইল একোৱেই নাই।

সেই যে দুজেহাৰ টকাটো পাব,তাৰে দোকানৰ বাকী মাৰিব, নে টিনপাত দুখিলামান আনিব,নে আলমিৰাটো বনাব? এয়া শৰ্মাৰ পত্নী কমলাৰ চিন্তা।

আৰু অৱশেষত? সভালৈ যাব ওলোৱা শৰ্মাক ভাত দুটামান দিও বুলি পাকঘৰলৈ যোৱা কমলা পিছলি পৰিল বৰষুণজানে পিছল কৰি তোলা মজিয়াত। পিন্ধি থকা একমাত্ৰ কাপোৰজোৰ বোকাৰ পানী,ভাতৰ মাৰেৰে তিতি শেষ। আৰু শৰ্মাৰ? ওৰেটো জীৱন দাৰিদ্ৰৰ স'তে যুঁজি যুঁজি জীয়াই থকা একালৰ সংগ্ৰামী বিষ্ণু শৰ্মাৰো তো এটায়ে চোলা। তাকো সম্বৰ্ধনা সভালৈ পিন্ধি যাব বুলি কমলাই ফটাছিটাখিনি চিলাই কৰি জাপি কুচি থৈছিল গাৰুৰ তলত। এতিয়া তেওঁ সেই চোলাটো পিন্ধি পাকঘৰৰ মজিয়াত বোকাপানীত লেতেৰা হৈ থকা পত্নীক অকলে এৰি সভালৈ যায় কেনেকৈ? চোলাতো পত্নী কমলাকে পিন্ধিব দিয়ে, নে নিজেই পিন্ধি সভালৈ যায়? কাৰণ তেওঁৰ তো আৰু একো নাই। এটায়ে মাথোঁ চোলা,তাৰো ছিগোঁ ছিগোঁ চিলাই!! যদি সভালৈ নাযায়, তেনেহ'লে তেওঁৰ দেখোন অতদিনৰ আদৰ্শ,সততা, নৈতিকতা অথলে যায়, দুহেজাৰ



টকাটোও হাতৰ পৰা যায়। উফ!! কি যে বিড়ম্বনা। দুহেজাৰ টকা। সেই দুহেজাৰ টকাৰে তেওঁ আৰু কমলাই কি কি যে কৰিম বুলি ভাবিছে। কিন্তু? যদি টকাখিনি নগদ নিদি দিয়ে এখন চেক? চেহ! তেওঁৰ দেখোন এটা বেংক একাউন্টো নাই!!!

ইয়াৰ লগে লগে হেচি ধৰা বুকু একোখন, চকুলোৰে ভৰি উঠা দুচকু লৈ বঙাইগাঁৱৰ পালপাৰাৰ প্ৰায় তিনিশ দৰ্শকে জাউৰিয়ে জাউৰিয়ে হাত চাপৰি বজাইছিল ৰবীন্দ্ৰ ভৱনৰ ভিতৰত। ২৫ সংখ্যক বঙাইগাঁও নাট্য মহোৎসৱত গুৱাহাটীৰ ষ্টেপ ফৰবাৰ্ডে নিবেদন কৰা অনুৰাধা শৰ্মা পূজাৰীৰ একে নামৰ গল্পৰ কুলেন্দ্ৰ ৰায়চৌধুৰীয়ে কৰা নাট্যৰূপ তথা কুলেন্দ্ৰ ৰায়চৌধুৰীৰে পৰিচালনাৰে মঞ্চস্থ হোৱা 'স্বাধীনতাৰ চোলা' নাটকখনত সংগীত নাটক একাডেমি বঁটা বিভূষিত গুণাকৰ দেৱগোস্বামী আৰু ওস্তাদ বিচমিল্লা খাঁ সন্মানপ্ৰাপক অভিনেত্ৰী সেউজপ্ৰীয়া বৰঠাকুৰে বিষ্ণু শৰ্মা আৰু কমলাৰ চৰিত্ৰত কৰা অনবদ্য,দুৰ্দান্ত অভিনয়ে ৰবীন্দ্ৰ ভৱনত উপস্থিত থকা প্ৰতিজন

দুহেজাৰ টকা। সেই দুহেজাৰ টকাৰে তেওঁ আৰু কমলাই কি কি যে কৰিম বুলি ভাবিছে। কিন্তু? যদি টকাখিনি নগদ নিদি দিয়ে এখন চেক? চেহ! তেওঁৰ দেখোন এটা বেংক একাউন্টো নাই!

দৰ্শককে নাটকখন চলি থকা মুহূৰ্তত নিশ্চুপ হৈ থাকিবলৈ আৰু নাট্যান্তত উদাত্তস্বৰে কৰতালি দিবলৈ বাধ্য কৰিছিল। ৰাধাৰ চৰিত্ৰত অন্বেষা প্ৰিয়দৰ্শীনিৰ অভিনয়ো প্ৰশংসনীয়, প্ৰজ্ঞানৰ চৰিত্ৰত জয়ন্তজিৎ দাসৰ অভিনয় অতি বিশ্বাসযোগ্য আৰু আকৰ্শনীয় তথা বিকাশৰ চৰিত্ৰত বিকাশ চমুৱাৰ অভিনয়ো আছিল সমানেই উন্নত।

এজন ভাল মানুহৰ সৈতে বিয়া হৈ অহাৰ সুখ, একেজন দৰিদ্ৰ মানুহৰ সৈতে জীৱনটো অভাৱত কটাই দিও শান্তি লাভ আৰু অৱশেষত নিজৰ মানুহজনক প্ৰাপ্য সন্মান ল'বলৈ যাবলৈ বাৰে বাৰে কৈ কাপোৰৰ অভাৱত অৱশেষত দুৱাৰ মাৰি ঘৰৰ ভিতৰত নাঙঠ হৈ ৰৈ থাকিব পৰা ত্যাগ যিদৰে পৰিস্ফুট কৰিছিল সেউজপ্ৰীয়া বৰঠাকুৰে, সেই দৃশ্য নেদেখিলে বিশ্বাস কৰিব নোৱাৰি। বিষ্ণু শৰ্মাৰূপী গুণাকৰ দেৱগোস্বামীৰ অভিনয়ে আমাক মন্ত্ৰমুগ্ধ কৰি ৰাখিছিল। সাইলাখ সেয়া ৭৫ বছৰীয়া বিষ্ণু শৰ্মা।

এই যে নাটকখন দৰ্শকৰ বাবে চকুৰ আগত ঘটি থকা এক বাস্তৱ অভিজ্ঞতালৈ ৰূপান্তৰ ঘটিছিল এইসকল অভিনেতাৰ অভিনয় আৰু কুলেন্দ্ৰ ৰায়চৌধুৰীৰ পৰিচালনাৰে, সেয়া সম্ভৱ হৈছিল খ্যাতিমান সংগীত পৰিচালক অহিৰ ভৈৰৱৰ উৎকৃষ্টতাৰে ভৰা সংগীত সংযোজন আৰু তপন বৰুৱাৰ সমুচিত পোহৰ প্ৰক্ষেপণৰ বাবে। অহিৰ ভৈৰৱৰ সংগীতে একোখন নাটকক উৎকৃষ্ট কৰি তোলা আমি আগেয়েও দেখিছিলোঁ আৰু এইবাৰো তাৰ চাক্ষুষ সাক্ষী হ'লোঁ। লগতে প্ৰতিটো মুহূৰ্তকে মূৰ্তমান কৰি তুলিছিল তপন বৰুৱাৰ সুন্দৰ পোহৰ প্ৰক্ষেপনে।

গুণাকৰ দেৱগোস্বামীৰ দৰে 'গুণাকৰ' আৰু শ্ৰেষ্ঠ অভিনেতা এগৰাকীৰ পৰা শ্ৰেষ্ঠনাট্যখিনি উলিয়াই অনাত, সেউজপ্ৰীয়া বৰঠাকুৰৰ দৰে গুণী অভিনেত্ৰীক জীৱন্ত 'কমলা' হিচাপে জন্ম দিয়াত, ৰাধা, প্ৰজ্ঞান,বিকাশ আদি চৰিত্ৰক অভিনেতা অভিনেত্ৰীসকলৰ প্ৰকৃত জীৱনৰ পৰা আঁতৰাই মঞ্চত তুলি ধৰাত পৰিচালক কুলেন্দ্ৰ ৰায়চৌধুৰী সফল।

# উগ্ৰতাৰা দেৱালয়ত চন্দ্ৰ মুদৈৰ 'গমন'ৰ টীজাৰ মুকলি




**বৃহস্পতিবাৰে** প্ৰসিদ্ধ চিনেমা পৰিচালক চন্দ্ৰ মুদৈৰ কাহিনী আৰু পৰিচালনাৰে নিৰ্মিত নৱতম অসমীয়া চিনেমা 'গমন'ৰ টীজাৰ মুকলি কৰা হয় গুৱাহাটীৰ উগ্ৰতাৰা দেৱালয়ত। অসমৰ প্ৰসিদ্ধ কবি নীলিম কুমাৰ, অধিবক্তা বিজন মহাজন আৰু ক্ৰীড়া সংগঠক কৈলাশ শৰ্মাৰ উপস্থিতিত পূজা অৰ্চনাৰ অন্তত টীজাৰ মুকলি কৰা হয়। ডি.কে.ফিল্মছৰ বেনাৰত যতীন্দ্ৰনাথ খনিকৰৰ প্ৰযোজনাৰে নিৰ্মিত চিনেমাখনত অভিনয় কৰিছে যতীন্দ্ৰনাথ খনিকৰ, দিব্যজ্যোতি দাস, অমৃতা গগৈ, অমূল্য কুমাৰ, গৌতম চৌধুৰী, প্ৰশান্ত গোস্বামী,ছাজু আহমেদ, আৰতি কলিতা আদিয়ে। এটি বিশেষ চৰিত্ৰ ৰূপায়ণ কৰিছে শিশু অভিনেতা সাক্ষিৎ ওম শৰ্মাই। অহা ১৪ মাৰ্চ ২০২৫ত চিনেমাখন মুক্তি দিয়া হ'ব।

## ৰাষ্ট্ৰীয় গেমচৰ বাবে প্ৰস্তুতি

# নিৰঞ্জন শইকীয়া অসম দলৰ উপ চেফ ডি মিছন নিযুক্ত

**ই-সংবাদ, ডিব্ৰুগড়, ২৩ জানুৱাৰীঃ** অহা ২৮ জানুৱাৰীৰ পৰা ১৪ ফেব্ৰুৱাৰীলৈ উত্তৰাখণ্ডত অনুষ্ঠিত হ'বলগীয়া ৩৮ সংখ্যক ৰাষ্ট্ৰীয় গেমচৰ বাবে অসম অলিম্পিক সন্থাৰ যুটীয়া সম্পাদক নিৰঞ্জন শইকীয়াক অসম দলৰ 'উপ-চেফ ডি মিছন' হিচাপে অসম অলিম্পিক সন্থাই নিযুক্তি দিয়ে। ২০২৫ চনৰ ২৮ জানুৱাৰীৰ পৰা ১৪ ফেব্ৰুৱাৰীলৈ উত্তৰাখণ্ডত অনুষ্ঠিত হ'বলগীয়া এই সন্মানীয় বৃহৎ সমাৰোহত ডেপুটি চেফ ডি মিছন হিচাপে শইকীয়াই ৰাজ্যৰ খেলুৱৈ আৰু বিষয়াসকলৰ সমন্বয় আৰু সমৰ্থন তদাৰক কৰি, তেওঁলোকৰ প্ৰস্তুতি আৰু খেলসমূহত সুচাৰুৰূপে অংশগ্ৰহণ নিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। অসম দলৰ হৈ এইবাৰ প্ৰায় তিনিশ খেলুৱৈ উত্তৰাখণ্ডলৈ যাব বুলি শইকীয়াই সদৰি কৰে। তেওঁৰ দায়িত্বসমূহৰ ভিতৰত লজিষ্টিক ব্যৱস্থা পৰিচালনা কৰা, খেলুৱৈসকলক সহায় আগবঢ়োৱা আৰু অনুষ্ঠানত অসমৰ দলটোৱে যাতে সু-প্ৰতিনিধিত্ব লাভ কৰে তাৰ প্ৰতিও লক্ষ্য ৰাখিব। ৩৮ সংখ্যক ৰাষ্ট্ৰীয় খেলত দেশৰ বিভিন্ন প্ৰান্তৰ শীৰ্ষ খেলুৱৈসকলে একত্ৰিত হ'ব, বিভিন্ন শাখাত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। অসমৰ দলটোৱে একাধিক শাখাত নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰিব বুলি আশা কৰা হৈছে, শক্তিশালী প্ৰদৰ্শন আগবঢ়োৱাৰ লগতে ৰাজ্যখনলৈ পূৰ্বতকৈ বেছি পুৰস্কাৰ কঢ়িয়াই অনাৰ আশা ব্যক্ত কৰিছে শইকীয়াই। তেওঁ কয় যে, যোৱা বাৰ অসম দলে বিভিন্ন খেল প্ৰদৰ্শন কৰি ৫৬ টা মেডেল আনিবলৈ সক্ষম হৈছিল, এইবাৰ আমি তাতোকৈ ভাল প্ৰদৰ্শন কৰি ৭৫ টা মান পদকৰ আশা কৰিছোঁ। ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ সভাপতি হিচাপে থকা শইকীয়াই নিজৰ নতুন ভূমিকাত অভিজ্ঞতাৰ সমৃদ্ধি কঢ়িয়াই আনিছে। তেওঁৰ এই নিযুক্তিয়ে অসম দলৰ বাবে এক উল্লেখযোগ্য উত্থান হিচাপে দেখা গৈছে, আৰু ৰাষ্ট্ৰীয় খেলত নিজৰ শ্ৰেষ্ঠ প্ৰদৰ্শন আগবঢ়াবলৈ ৰাজ্যৰ খেলুৱৈসকলক অনুপ্ৰাণিত কৰিব বুলি আশা কৰা হৈছে।




**ইংলেণ্ডৰ বিৰুদ্ধে প্ৰথমখন টি-২০ত এটা অভিনৱ কেচ নীতিশ কুমাৰৰ**

## ভাৰতীয় খেলুৱৈৰ গাত আকৌ এবাৰ লাগিল ড'পিংৰ চেকা

# নিষিদ্ধ দ্ৰব্য ব্যৱহাৰ কৰি নিলম্বিত দুই টেনিছ তাৰকা

**নতুন দিল্লী, ২৩ জানুৱাৰীঃ** ভাৰতীয় ক্ৰীড়া জগতত পুনৰ লাগিল ড'পিংৰ চেকা। এইবাৰ নিষিদ্ধ দ্ৰব্য ব্যৱহাৰৰ অভিযোগত নিলম্বন কৰা হৈছে দুগৰাকী টেনিছ তাৰকা কৃষ্ণ প্ৰসাদ গৰাগা আৰু শ্বেতপৰ্ণা পাণ্ডাক। এই ঘটনাই ক্ৰীড়া সমাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বাতৰি অনুসৰি, কৃষ্ণ প্ৰসাদ গৰাগাৰ শৰীৰত হিউমেন ক'ৰিয়ানিক গ'নাড'ট্ৰপিন আৰু লুটিনাইজিং হৰম'ন পোৱা গৈছিল। পুৰুষ খেলুৱৈৰ বাবে এই দুবিধ পদাৰ্থ নিষিদ্ধ, কিয়নো ই শৰীৰত টেষ্টষ্টেৰনৰ মাত্ৰা বৃদ্ধি কৰে। ইয়াৰ বাবেই ৪ বছৰৰ বাবে নিলম্বন কৰা হৈছে গৰাগাক। উল্লেখ্য যে, ২০২৪ চনৰ ফেব্ৰুৱাৰী মাহত হায়দৰাবাদত তেওঁৰ নমুনা পৰীক্ষা কৰা হৈছিল আৰু ৰিপৰ্ট পজিটিভ আহিছিল। ২০২৪ চনৰ ৩১ জুলাইৰ পৰা তাৰকা টেনিছ খেলুৱৈগৰাকীৰ নিলম্বন কাৰ্যকৰী হৈছে। গৰাগাই কয়, "আমাৰ যুটিটো ভাল আছিল। আমি সাতৰিক ছাইৰাজ আৰু চিৰাগ শ্বেট্টীৰ হাতত পৰাস্ত হৈছিলো। ড'পিং বিষয়টো গম নোপোৱাকৈয়ে আমি খেলি থাকিলোঁ। বেডমিণ্টনত এনে ঘটনা কেতিয়াও হোৱা নাই। মই নিলম্বন উঠাই ল'বলৈ আবেদন কৰিছো।" আনহাতে আন এগৰাকী তাৰকা খেলুৱৈ শ্বেতপৰ্ণা পাণ্ডাৰ প্ৰস্ৰাৱৰ নমুনাত পোৱা গৈছিল টাৰ্বুটালিন। পেশীৰ শক্তি বৃদ্ধিৰ বাবে এই পদাৰ্থ ব্যৱহাৰ কৰা হয়। শ্বেতাপৰ্ণাই ভগ্নী ঋতুপৰ্ণাৰ সৈতে একেলগে খেলিছিল। ওড়িশা মাষ্টাৰছৰ সময়ত তেওঁৰ ৰিপ'ৰ্ট পুনৰ পজিটিভ আহিছিল। নাডাৰ প্ৰতিবেদনৰ সন্দৰ্ভত তেওঁ প্ৰতিক্ৰিয়া ব্যক্ত কৰাৰ পৰা বিৰত থাকে। কৃষ্ণপ্ৰসাদ গৰাগা আৰু শ্বেতপৰ্ণা পাণ্ডা দুয়োজনেই যুৱ প্ৰতিভা হিচাপে পৰিচিত আছিল। কিন্তু ড'পিংৰ অভিযোগে তেওঁলোকৰ কেৰিয়াৰত ডাঙৰ আঘাত হানে। এই ঘটনাৰ পিছতে নাডা আৰু ক্ৰীড়া মন্ত্ৰালয়ে খেলুৱৈসকলক ড'পিং সম্পৰ্কীয় নিয়ম-নীতিৰ বিষয়ে অধিক সচেতন কৰাৰ পৰিকল্পনা কৰিছে। ড'পিংমুক্ত ক্ৰীড়া জগত নিশ্চিত কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণৰ বাৰ্তা প্ৰকাশ কৰিছে নাডাই। এই কাণ্ডই তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

# নগাঁৱত ষ্ট্ৰংমেন অসমৰ ক্ৰীড়া প্ৰতিযোগিতা

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৩ জানুৱাৰীঃ** ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰত নতুনকৈ সংযোজিত ঘটা ক্ৰীড়া সংগঠন ষ্ট্ৰংমেন অসমৰ ক্ৰীড়া প্ৰতিযোগিতাখনি নগাঁৱৰ ঐতিহ্যমণ্ডিত নেহৰুবালিত সদৌ নগাঁও ভোগালী বিহু উৎসৱ সমিতি আৰু ষ্ট্ৰংমেন অসমৰ যৌথ উদ্যোগত পোনপ্ৰথমবাৰৰ বাবে অনুষ্ঠিত হৈ যায়। নগাঁও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়াই নগাঁও চহৰৰ নেহৰুবালিৰ বাকৰিত মুকলি আকাশৰ তলত আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা সদ্যসমাপ্ত এই প্ৰতিযোগিতাত পুৰুষ আৰু মহিলা উভয় শাখাৰে বিভিন্ন ওজন গ্ৰুপত চাৰিটা ইভেণ্ট ( ফ্ৰণ্ট হল্ড, টায়াৰ ফ্লিপিং, ডেডলিফ্ট ৰিপিটেশ্যন আৰু ডাম্বেল ৰিপিটেশ্যন ) ৰ খেল অনুষ্ঠিত হয়। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা তিনিকুৰিৰো অধিক খেলুৱৈয়ে ভাগ লোৱা আকৰ্ষণীয় প্ৰতিযোগিতাখনত ক্ৰীড়াপ্ৰেমী দৰ্শকৰ উৎসাহজনক সঁহাৰি পোৱা পৰিলক্ষিত হয়। প্ৰতিযোগিতাৰ ৬০ কিঃগ্ৰাঃ ওজন গ্ৰুপৰ ছোৱালীৰ শাখাত চয়নিকা গগৈয়ে প্ৰথম, তৃষ্ণা দাসে দ্বিতীয় আৰু মিনাক্ষী পণ্ডিতে তৃতীয়স্থান দখল কৰাৰ বিপৰীতে ল'ৰাৰ শাখাত দীপাংশু দীপ্ত বৰা, অপূৰ্ব দাস আৰু চৈয়দ নাজিম আফ্ৰদীয়ে ক্ৰমে প্ৰথম তিনিটা স্থান অধিকাৰ কৰে। ৭৫ কিঃগ্ৰাঃৰ ছোৱালীৰ শাখাত বিন্টী বৰা আৰু জেৰিফা আজহাৰ চৌধুৰীয়ে প্ৰথম দুটা স্থান লাভ কৰাৰ বিপৰীতে ল'ৰাৰ শাখাত অংকুৰ শইকীয়া, কুন্তল শৰ্মা আৰু লক্ষীন্দ্ৰ বৰুৱাই ক্ৰমে প্ৰথম তিনিটা স্থান অধিকাৰ কৰে। ৭৫ কিঃগ্ৰাঃ উৰ্ধৰ ছোৱালীৰ শাখাত স্বস্তিকা কাশ্যপে প্ৰথম আৰু চাহৰিণ খালিদে দ্বিতীয়স্থান পায়। ল'ৰাৰ ৯০ কিঃগ্ৰাঃৰ শাখাত বিশ্বজিত বৰুৱা, বিৰাজ কুমাৰ গগৈ আৰু প্ৰিয়াংকশু শইকীয়া, ১০৫ কিঃগ্ৰাঃ ত ফাইজুল আলম, লক্ষ্যজিত হাজৰিকা আৰু বিতোপন বসুমতাৰীয়ে ক্ৰমে প্ৰথম তিনিটাস্থান অধিকাৰ কৰাৰ বিপৰীতে ১০৫ কিঃগ্ৰাঃৰ উৰ্ধৰ শাখাত বিদ্যুৎ বৰাই শ্ৰেষ্ঠত্ব অৰ্জন কৰে। নগাঁও ছোৱালী মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা তথা বিশিষ্ট সমাজসেৱিকা ড° নমিতা কলিতাই সাৱলীলভাৱে আঁত ধৰি আগবঢ়াই নিয়া প্ৰতিযোগিতাৰ মাজে মাজে ৰাজ্যৰ ভালেকেইগৰাকী বিশিষ্ট লোকক সম্বৰ্ধনা জনোৱা হয়। প্ৰতিযোগিতাৰ অন্তত সামৰণি অনুষ্ঠানত ক্ৰীড়া সংগঠক তথা সমাজ সংগঠক নানু দাস, অৰূপ কুমাৰ বৰা, ড° কুলেন দাস, মৃদুল কুমাৰ ৰয়, উৎপল বনিয়া, অসীম কুমাৰ ভাৱাল, সমীৰ হাজৰিকা, অনিল শৰ্মা, ড° নমিতা কলিতা, সুব্ৰত পল, প্ৰশান্ত বেজবৰুৱা, সুন্দৰ শৰ্মা, কেচিয়'পিয়া গোস্বামী, ঋষীকেশ শৰ্মা, জয়ন্ত শইকীয়া, প্ৰাঞ্জল মহন্ত, ৰাজেশ ৰাম, বৰ্ণালী বৰা আদিয়ে বিভিন্ন বঁটাসমূহ বিতৰণ কৰে। মনকৰিবলগীয়া যে, এই প্ৰতিযোগিতাতে ৰচীৰে গাড়ী টনাৰ প্ৰদৰ্শনীমূলক ইভেণ্টে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰে। ইপিনে, প্ৰতিযোগিতাখনি আৰম্ভ হোৱাৰ আগতে ষ্ট্ৰংমেন অসমৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। সেই সভাতে অসমৰ বিভিন্ন জিলাৰ প্ৰতিনিধিৰ উপস্থিতিত আৰু ষ্ট্ৰংমেন ইণ্ডিয়াৰ সভাপতি সঞ্জিত পাল আৰু সাধাৰণ সম্পাদক আশীষ জৈনৰ পৰ্যবেক্ষণত ষ্ট্ৰংমেন অসমৰ নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সমিতিখনত মুখ্য উপদেষ্টা হিচাপে আছে বিবেকানন্দ হাজৰিকা। অহা চাৰি বছৰীয়া কাৰ্যকালৰ বাবে নানু দাসক সভাপতি, অমৰজিত লাহনক কাৰ্যকৰী সভাপতি, অৰূপ কুমাৰ বৰাক সাধাৰণ সম্পাদক, অসীম কুমাৰ ভাৱালক কোষাধ্যক্ষ ৰূপে লৈ মুঠ-৩১ জনীয়া সদস্য-সদস্যাৰে কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি